# Assam Legislative Assembly Debates

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS
UNDER THE SOVEREIGN DEMOCRATIC
REPUBLICAN CONSTITUTION OF
INDIA

## BUDGET SESSION

**VOLUME I**

**No. 19**

**The 7th March, 1974**

सत्यमेव जयते

1989

PRINTED AT THE PAPLOO PRINTERS
JORHAT

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1974

( BUDGET SESSION )

Vol. I

No. 19

The 7th March, 1974

CONTENTS


| | | | | Page |
|---|---|---|---|---|
| 1. | Questions | .... | .... | 6—41 |
| 2. | Calling Attention Notice | .... | .... | 41—45 |
| 3. | Govt. Bills | ... | ... | 45—46 |
| 4. | General Discussion on Budget | ... | .... | 46—110 |
| 5. | Discussion Under Rule 49 | ... | ... | 110—124 |
| 6. | Adjournment | .... | .... | 124 |


—+—

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

### SECOND SESSION

7th March, 1974

**Proceedings of The Second Session of the Assam Legislative Assembly assembled after the Fifth General Elections under Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Dispur (Guahati) at 10 A. M. on Thursday, the 7th March 1974.

PRESENT

Shri R. C. Barooah B.L. Speaker, in the chair, 10 ( ten ) Ministers, 3 ( three ) Ministers of State, and 77 ( Seventyseven ) members.

## STARRED
## QUESTIONS AND ANSWERS

### বি ঃ ডিব্ৰুগড় সংমণ্ডলত গড়কাপ্তানী বিভাগৰ আধৰুৱা কাম

শ্ৰীমতী তৰুলতা বৰাই সুধিছে ঃ

*২২৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ডিব্ৰুগড় সংমণ্ডলত গড়কাপ্তানী বিভাগৰ চতুৰ্থ পৰিকল্পনাত কিমান কাম আধৰুৱা হৈ আছে আৰু ইয়াৰ কাৰণ কি ?

(খ) বিলাতী মাটিৰ আৰু লোহাৰ অভাৱত বহুতো কাম পৰি থকা কথাটো সঁচা নেকি ?

(গ) যদি সঁচা তেন্তে ইয়াৰ বাবে চৰকাৰে কি তৎপৰ ব্যৱস্থা গ্ৰহণ কৰিছে ?

ডাঃ লুটফুৰ ৰহমান (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২৭। (ক)—চতুৰ্থ পৰিকল্পনাত হাতত লোৱা অসম্পুৰ্ণ হৈ থকা কামৰ তালিকা এখন সদনৰ মেজত ৰখা হল। তলত উল্লেখ কৰা অসুবিধা সমুহৰ কাৰণে কাম বিলাক আধৰুৱা হৈ আছে।

(১) বিলাতী মাটি ও লোহাৰ অভাৱ।

(২) ভূমি অধিগ্ৰহণৰ অসুবিধা।

(৩) পংক্তি বন্ধন alignment আদিৰ বিবাদ।

(খ)—হয়।

(গ)—চৰকাৰে আৱশ্যকীয় পৰিমাণৰ বিলাতী মাটি আৰু লোহাৰ আহৰণৰ কাৰণে সকলো চেষ্টা কৰি আছে, আনকি উচ্চতম মহলাৰ লগতো যোগাযোগ কৰি আছে।

শ্ৰীমতী তৰুলতা বৰা ঃ অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে জনালে যে কিছুমান কাম এতিয়াও আধৰুৱা হৈ আছে, সেই আধৰুৱা কামখিনি শেষ কৰিবলৈ সময় আছে মাত্ৰ এই ৩১ মাৰ্চলৈ অৰ্থাত এই পৰিকল্পনাৰ শেষ সময় আছিল ৩১ মাৰ্চ্চ, গতিকে এনে ক্ষেত্ৰত যদি এই কৰিবলগীয়া কামখিনি হৈ নুঠে তেতিয়া-হলে এই টকাখিনি 'লেপ্স' হোৱাৰ সম্ভাৱনা আছে নেকি ?

শ্ৰীলুটফুৰ ৰহমান (মঃ)ঃ এই টকাবিলাক লেপ্‌স হোৱাৰ সম্ভাৱনা আছে কিন্তু সেইবিলাক 'স্পীল অ'ভাৰ হৈ যাব।

শ্ৰীজালালুদ্দিন আহমদঃ মন্ত্ৰী মহোদয়ে জনোৱা মতে লোহা আৰু বিলাতি মাটিৰ অভাৱৰ কাৰণে কাম আধৰুৱা হৈ পৰি আছে কিন্তু যিবিলাক কামত বিলাতি মাটি আৰু লোহাৰ আৱশ্যক নাই তেনেবিলাক কাম কিয় পৰি আছে ?

শ্ৰীলুতফুৰ ৰহমান ( মঃ )ঃ এই মেটেৰিয়েলচৰ অভাৱৰ উপৰিও ভূমি অধিগ্ৰহণ এলাইনমেণ্ট আদিৰ বিবাদ ইত্যাদি কাৰণতো কাম পৰি আছে।

শ্ৰীজালালুদ্দিন আহমদ : যিবিলাকত এই ভূমি অধিগ্ৰহণ বা এলাইনমেণ্টৰো গোলমাল নাই সেই বিলাক কিয় পৰি আছে ?

শ্ৰীলুতফুৰ ৰহমান ( মঃ )ঃ এই বিলাক বিষয়ৰ সংক্ৰান্তত 'ডকুমেণ্ট' ইত্যাদি সময়মতে নিদিয়াৰ ফলতো কেতিয়াবা কাম-কাজ আধৰুৱা হৈ পৰি থাকে।

শ্ৰীকবীৰ ৰায় প্ৰধানী : ইতিমধ্যে যিবিলাক মাটি অধিগ্ৰহণ কৰা হ'ল সেই মাটি বিলাকৰ ক্ষেত্ৰত যিমান কম্পেনচেশ্যনৰ টকা দিব লগীয়া আছিল সেই টকা এতিয়াও নিদিয়াত সেই মাটিৰ মালিক সকলে হয়তো আৰু টকা নালাগে বুলি কৈছে, তেনে ক্ষেত্ৰত এতিয়া সেই টকা বিলাক এই অসম্পুৰ্ণ ৰাস্তা সমূহত বা কামত খটুৱাব নে ?

শ্ৰীলুটফুৰ ৰহমান ( মঃ ): সেই মাটিৰ মালিক সকলে টকা নালাগে বুলি প্ৰথম অৱস্থাত কব কিন্তু ১০ বছৰৰ পাছত আকৌ সেই মাটিৰ 'কমপেনচেশ্যন' বিচাৰে। গতিকে লিগেল প্ৰচিদিয়ৰ এদাপ্ত কৰি কেচ বিলাক ৰেজিষ্টাৰ কৰি ফাইনাল কৰিবলৈ বিচৰা হৈছে।

শ্ৰীলীলা কান্ত দাস : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে বিলাতি মাটি আৰু লোহাৰ অভাৱত কাম বিলাক পৰি আছে, গড়কপ্তানী বিভাগৰ কাৰণে যিমান খিনি লোহাৰ আৰু চিমেণ্ট প্ৰয়োজন হয় সেইখিনি যোগান বিভাগে যোগান ধৰেনে গড়কাপ্তানী বিভাগে নিজেই কোম্পানীৰ পৰা আনে।

শ্ৰীলুটফুৰ ৰহমান ( মঃ ) : যোগান বিভাগক এটা 'টʼটেল এলটমেণ্ট' দিয়া হয় আৰু সেই এলোটমেণ্টৰ পৰা গড়কপ্তানী বিভাগক যোগান ধৰা হয় আৰু গড়কাপ্তানী বিভাগেও নিজে কোম্পানীৰ পৰা আনে।

শ্ৰীপ্ৰেম বৰা : চতুৰ্থ পৰিকল্পনাত 'এডমিচনিষ্টেটিভ এপ্ৰোভেল' মতে ৰাস্তা পদুলীৰ কাৰণে 'ৰিভাইজদ এষ্টিমেট কিমান আছিল ? আৰু সেইমতে পৰিকল্পনাত কিমান টকা খৰচ হ'ল ? বিশেষকৈ ডিব্ৰুগড় সংমণ্ডলত কিমান টকা খৰচ হ'ল।

শ্ৰীলুটফুৰ ৰহমান ( মঃ ): ডিব্ৰুগড় সংমণ্ডলত চতুৰ্থ পৰিকল্পনাত প্ৰায় ৩ লাখ টকা আৰু ৩১ মাৰ্চ্চলৈকে ১৯ লাখ খৰচ হবগৈ।

শ্ৰীকবীৰ ৰায় প্ৰধানী ঃ ৪ৰ্থ পৰিকল্পনাত এই টকা পইচাবোৰ কাম-কাজত খৰচ কৰাৰ ক্ষেত্ৰত নানা ধৰণৰ খেলিমেলি আৰু দূৰ্নীতি হৈছে তেনে ক্ষেত্ৰত এই দূৰ্নীতি নোহোৱা কৰিবৰ কাৰণে অনুসন্ধান কমিটি গঠন কৰা হৈছে নেকি ? যদি হৈছে সেই কমিটিৰ সদস্য সকলৰ নাম কি ?

শ্ৰীলুটফুৰ ৰহমান ( মঃ ) ঃ কমিটি গঠন হৈছে, কিন্তু সদস্যৰ নাম বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীগিয়াচুদ্দিন আহমদ ঃ অধ্যক্ষ মহোদয়, এতিয়া যিহেতু 'মেটেৰিয়েলচ'ৰ অভাৱত কাম কাজ কৰাত পলম হৈছে বা আধৰুৱা হৈ আছে বুলি মন্ত্ৰী ডাঙৰীয়াই কৈছে তেনে ক্ষেত্ৰত ৫ বছৰৰ পৰিকল্পনাৰ কাৰণে কিমান মেটেৰিয়েলচৰ আৱশ্যক হব সেই গোটেই খিনি আগতিয়াকৈ যোগাৰ কৰি থোৱাৰ কিবা ব্যৱস্থা আছেনে ?

শ্ৰীলুটফুৰ ৰহমান ( মঃ ) তেনে ধৰণৰ এটা ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা হৈছে।

শ্ৰীনগেন বৰুৱা ঃ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে চিমেণ্ট বা লোহাৰ অভাৱত কাম-কাজ আধৰুৱা হৈ আছে, কিন্তু মই জানিব পাৰোনে যে ৪ৰ্থ পৰিকল্পনাৰ ৰাস্তা-পদূলীৰ কাম-কাজ 'টেকনিকেল চেংশ্যন, 'এডমিনিচট্ৰেটিভ এপ্ৰোভেল' আৰু ৰিভাইজদ এষ্টিমেট ইত্যাদি কাৰণত আধৰুৱা হৈ পৰি আছে ?

শ্ৰীলুটফুৰ ৰহমান ( মঃ ) সেইবিলাকো একোটা কাৰণ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ৩ লাখ টকা ইতিমধ্যে খৰচ হৈছে আৰু ১৯ লাখ টকা খৰচ হব অথচ মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে অইন হাতেদি বস্তু-বাহানীৰ অভাৱ তেনেস্থলত এই টকাখিনি কেনেকৈ খৰচ কৰিব বা ক'ত কৰিব ?

শ্ৰীলুটফুৰ ৰহমান ( মঃ ) : ৩১ ডিচেম্বৰলৈকে ১৯ লাখ হ'ল আৰু অহা কেই মাহৰ ভিতৰত আৰু ১৯ লাখ টকা খৰচ কৰা হব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মোৰ প্ৰশ্ন হ'ল যিহেতু লোহা আৰু চিমেণ্টৰ অভাৱৰ কাৰণেহে কাম আধৰুৱা হৈ পৰি থকা বুলি কৈছে তেনে ক্ষেত্ৰত এই যে ১৯ লাখ টকা খৰচ হব বুলি কৈছে সেইটো কিহৰ বা কেনেকৈ খৰচ কৰিব ?

শ্ৰীলুটফুৰ ৰহমান ( মঃ ) তাত শিলগুটি আৰু আৰ্থিং ইত্যাদিৰ কামো আছে তাত খৰচ কৰিব পৰা হব।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড : আমি দেখা মতে ডিবুগড়তেই বহুতো প্ৰাইভেট পাৰ্টয়ে যেনে বিশ্ববিদ্যালয়ৰ নিচিনা আৰু আন আন অনুষ্ঠানে চিমেণ্ট লোহা ইত্যাদি নিয়মীয়াকৈ অনা নিয়া কৰি আছে, তেওঁলোকৰ কাম চিমেণ্টৰ অভাৱত ব্যঘাত হোৱা নাই অথচ চৰকাৰী বিভাগ বিলাকে ৰাস্তা পদূলী বা আন কামত চিমেণ্ট ইত্যাদি যোগাৰ কৰিব পৰা নাই।

শ্ৰীলুটফুৰ ৰহমান ( মঃ ) : সেইবিলাক ভাৰত চৰকাৰে নিজেই 'এলোটমেণ্ট দিয়ে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, ৩ বছৰ ধৰি 'এডমিনিচট্ৰেটিভ এপ্ৰোভেলৰ অভাৱত এতিয়ালৈকে হেনো 'আৰ্থ' ওৱৰকিংয়েই' হোৱা নাই তাৰ পিছত লোহা উত্পাদন ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যি ধৰণৰ ব্যৱস্থা লব লাগিছিল সেই ধৰণে লোৱা নহ'ল। আজি এনে ক্ষেত্ৰত চিমেণ্টৰ অভাৱত লাখ লাখ টকা ৩১ মাৰ্চ্চৰ অভাৱত চাৰাগুাৰ কৰিব লাগিব, এতিয়া এই কামখিনি হৈ নুঠা বা টকা খিনি চাৰাগুাৰ কৰাৰ কাৰণে জগৰীয়া কাক কৰিব ?

শ্ৰীলুটফুৰ ৰহমান ( মঃ ) এলাইনমেণ্ট আৰু ভূমি অধিগ্ৰহণ ইত্যাদিৰ ক্ষেত্ৰত থিকমতে ৰিভাইজদ এষ্টিমেট নোহোৱাৰ কাৰণে পলম হৈছে, সেইটো এতিয়া সোনকালে কৰিবৰ কাৰণে আমি চেষ্টা কৰিছোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : যোৰহাট চাবডিভিজনৰ চুপাৰ্নটেনদেণ্ট ইঞ্জিনিয়াৰৰ লগত মই আলোচনা কৰিছিলো, সেই আলোচনাৰ পৰা গম পাইছিলো যে 'এডমিনিচট্ৰেটিভ এপ্ৰোভেল' এতিয়াও পোৱা নাই, পিছত জানিব পৰা গৈছে যে এডমিনিচট্ৰেটিভ এপ্ৰোভেল হেনো হেৰাই গৈছে তাৰোপৰি আজি এবছৰ ধৰি সেই বিষয়ৰ

প্লেন এণ্ড এষ্টিমেট অফিচতে পৰি আছে এনে ক্ষেত্ৰত এই কামৰ বাবে কাৰ ওপৰত ৰেচপনচিবিলিটি ফিক্সদ কৰা হব ?

ডঃ লুটফুৰ ৰহমান ঃ যদি তেনেকৈ প্লেন এষ্টিমেট হেৰাইছে তেন্তে দায়ী কৰিব লাগিব। এটা পেল এষ্টিমেট আহিলে এডমিনিষ্ট্ৰেটিভ এপ্ৰভেল আদি দিব লাগে আৰু ডিফেক্ত আদি থাকিলে তাক ৰেকটিফাই কৰিব লাগে।

শ্ৰীলীলাকান্ত দাস ঃ মন্ত্ৰী মহোদয়ে কৈছে যে চিমেণ্ট লোহা লংকৰ আদিৰ অভাৱত কাম কৰিব পৰা নহল। কিন্তু যি বিলাক মাটি নবেম্বৰ আগতে ললে আৰু যিবিলাক প্লেন এষ্টিমেট নবেম্বৰ ডিচেম্বৰ মাহত পঠিয়াই দিছে সেই বিলাকৰ কাম কি কাৰণত হোৱা নাই ?

## বি ঃ অসম আৰু মেঘালয় পৰিবহন নিগম

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে ঃ

*২২৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম আৰু মেঘালয় পৰিবহন নিগমৰ বাছত যোৱা মাহত যাত্ৰীৰ প্ৰয়োজনৰ যোৱা বছৰৰ একে সময়ৰ তুলনাত কিমান কম বা বেছি হৈছে ?

(খ) ১৯৭৩-৭৪ চনত কিমান খন যাত্ৰী-বাহী বাছ অচল হ'ল আৰু কিমান খন নতুন গাড়ীৰ ব্যৱস্থা কৰা হ'ল ?

(গ) নিগমৰ ওৱাৰ্কচপবোৰত যাবতীয় গাড়ীৰ সা-সৰঞ্জামৰ অভাৱ থকা বুলি সাধাৰণ ভাৱে হোৱা অভিযোগবোৰৰ কিমান সত্যতা আছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২২৮। (ক)—১৯৭২-৭৩ বিত্তীয় বছৰৰ চেপ্টেম্বৰ মাহৰ পৰা জানুৱাৰী মাহলৈকে ৫৩,৬২,৩০৩ জন যাত্ৰীয়ে পৰিবহন নিগমৰ গাড়ীত অহা-যোৱা কৰিছিল। তুলনা মুলক ভাৱে দেখা যায় যে ১৯৭৩-৭৪ বিত্তীয় বছৰত সেই সময় ছোৱাত ৫৪,৮৪,৮৯৮ জন যাত্ৰীয়ে নিগমৰ গাড়ী অহা-যোৱা বাবত ব্যৱহাৰ কৰিছিল। অৰ্থাৎ দেখা যায় যে ১,২২,৫৪৫ জন যাত্ৰী বেচিকৈ কঢ়িওৱা হৈছে।

(খ)—১৯৭৩-৭৪ চনত ৭১ খন গাড়ী একেবাৰে অচল অৱস্থাত থাকে। সেই সময় ছোৱাত নিগমে ৬৪ খন যাত্ৰীবাহী নতুন গাড়ী নিয়োজিত কৰে।

(গ)—কিছু পৰিমাণে সা-সৰঞ্জামৰ অভাৱ হোৱা কথা সঁচা।

শ্ৰীনগেন বৰুৱা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো যে তেখেতে দিয়া হিচাব মতে এই সময় চোৱাত এক লাখতকৈ অধিক যাত্ৰী এই বাচেৰে অহা যোৱা কৰিছে। গতিকে এই সময় চোৱাত কিমান থিনি বেচি পইচা যাত্ৰী সকলৰ পৰা ভাড়াৰ নামত পোৱা হৈছে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : টকাৰ হিচাব মোৰ হাতত নাই।

শ্ৰীজগদীশ দাস : মেঘালয় আৰু অসমৰ ভিতৰত নিগমৰ টকা পইচা কেনেকৈ ভাগ বতৰা হয়?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : সেই নিগমতো অসম আৰু মেঘালয়ৰ সমুহীয়া নিগম।

শ্ৰীঅতুল শইকীয়া : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যোৱা বিত্তীয় বছৰটোত টায়াৰ বেয়া হোৱা বাবে কিমান গাড়ী অচল হৈ পৰি আছিল তাৰ পৰিসংখ্যাটো দিবনে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : টায়াৰৰ সংখ্যা দিয়াটো সম্ভৱ নহয়।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : যিবিলাক পথত যাতায়তৰ বিকল্প কোনো ব্যৱস্থা নাই সেই বিলাক পথত যাত্ৰীৰ সংখ্যা অনুসৰি গাড়ী অত্যন্ত কম এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : যাত্ৰী অনুপাতে গাড়ীৰ সংখ্যা কম হোৱাতো স্বাভাৱিক। পেট্ৰোলৰ দাম বাঢ়িছে, গতিকে ডিজেল গাড়ী চলাব লগা হৈছে। মানুহে ট্ৰেন্সপৰ্ট বিচাৰে বাবে বেচি সংখ্যক কৰিবৰ কাৰণে যত্ন কৰিছো।

শ্ৰীমানবেন্দ্ৰ শৰ্মা : এই নিগমৰ লোকচানৰ অংশ মেঘালয় চৰকাৰে দিব লাগে নে নেলাগে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এই নিগমটো অসম আৰু মেঘালয় চৰকাৰৰ লগত আছে। ইয়াত লোকচান হৈ আছে গতিকে বিতৰণ কৰাৰ প্ৰশ্ন নুঠে। ভেহিকোল ট্ৰেক্স আদি তেওঁলোকে কিছু খুজিছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : ইয়াত সদায় লাভ লোকচানৰ কথা কৈ আছে। মই

মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে এই নিগমৰ দিনে বা মাহে কিমান থিনি উপাৰ্জ্জন হৈছে আৰু কিমান উপাৰ্জ্জন হব লাগিছিল ।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এই হিচাটো মোৰ হাতত নাই নতুনকৈ প্ৰশ্ন দিলে কব পৰা যায় ।

মঃ উমৰুদ্দিন আহমদ ঃ মই সুধিব খুজিছো নিগমে লাভ লোকচানৰ বছেৰেকীয়া হিচাব দিব লাগে । এতিয়া দিছেনে নাই ? যদি নাই দিয়া তেন্তে কেই বছৰৰ দিয়া নাই ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ মই আগতেই কৈছো এই সম্পৰ্ক‍ে নতুন প্ৰশ্ন দিলে ভাল হয় ।

ম: উমৰুদ্দিন আহম্মদ ঃ কৰপৰেচনৰ নিয়ম অনুসৰি বছেৰেকীয়া প্ৰতিবেদন দিব লাগে । গতিকে মই জানিব বিচাৰিছো আজি কেইবছৰ দিয়া নাই ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ এইটোৰ কাৰণে নতুন প্ৰশ্ন লাগে ।

শ্ৰীপ্ৰেমধৰ বৰা : মন্ত্ৰীয়ে দিয়া হিচাবৰ পৰা জানিব পাৰিছো যে যোৱা বছৰ প্ৰায় ৫৩ লাখ যাত্ৰীয়ে পৰিবহন নিগমৰ বাচত ভ্ৰমণ কৰিছিল । চলিত বছৰত ৫৪ লাখ । আনহাতে চলি থকা ৭১ খন বাচ অচল হৈ পৰে তাৰ পৰিবৰ্ত্তে ৬৪ খন গাড়ী ব্যৱহাৰ কৰা হৈছে । গতিকে এতিয়া নতুনকৈ গাড়ী বঢ়াই দিয়াৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ এই কথাটো শইকীয়া ডাঙৰীয়াৰ প্ৰশ্নোত্তৰত কৈছো ।

শ্ৰীলীলাকান্ত দাস ঃ যি বিলাক পথ ৰাষ্ট্ৰীকৰণ কৰা হৈছে তাত বেচৰকাৰী বাচ চলে নেকি ? যদি নচলে তেন্তে ৰাইজৰ কষ্ট লাঘব কৰিবৰ কাৰণে চৰকাৰী বাচ বেচিকৈ দিবনে ?

অধ্যক্ষ ঃ এইটো শইকীয়াই সুধিছে ।

শ্ৰীদুলাল খাউণ্ড ঃ মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে টায়াৰৰ অভাৱত বহুত গাড়ী অচল হৈ পৰি থাকে । কিন্তু সামন্য বিজুতি হৈ মেৰামতি নকৰাৰ কাৰণে বহু গাড়ী পৰি থাকে এই কথাটো জানেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকাৰ ঃ সেইটো হয় ।

ডঃ সুৰেন দাস ঃ আমি পৰিবহন নিগমৰ লোকচানৰ কিমান অংশ ভৰিব লাগে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : তাৰ কাৰণে নতুন প্ৰশ্ন লাগে।

শ্ৰীনগেন বৰুৱা : (খ) উত্তৰত কৈছে ১৯৭২-৭৩ চনত ৭১ খন গাড়ী অচল হোৱাৰ কাৰণে ৬৪ খন গাড়ী দিছে, অৰ্থাৎ ৭ খন কম গাড়ী দিছে। যোৱা বছৰতকৈ এতিয়া যাত্ৰীৰ সংখ্যা বাঢ়ি গৈছে আৰু গাড়ীৰ সংখ্যা কমি গৈছে। এই অসামঞ্জস্যটো দুৰ কৰিবৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : মই আগতেই কৈছো যে ৭১ খন গাড়ী বেয়া হোৱা বাবে ৬৫ খন নতুন গাড়ী দিয়া হৈছে।

শ্ৰীমতী ৰেবতী দাস : মন্ত্ৰী মহোদয়ে কৈছে ৭১ খন বেয়া হোৱাৰ বাবে ৬৪ খন নতুন গাড়ী দিছে। এই অচল অৱস্থাত থকা গাড়ী কেইখন ভাল নকৰি কিয় নতুন গাড়ী দিয়াৰ ব্যৱস্থা কৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এই ৭১ খন গাড়ী নচলে।

শ্ৰীগিয়াচুদ্দিন আহমেদ : চৰকাৰে এহাতে কিছুমান পথ ৰাষ্ট্ৰীয়কৰণ কৰিছে আৰু আনহাতে সেই বিলাক পথত প্ৰাইভেট বাচ চলাচল কৰিবলৈ দিছে। গতিকে এইটো আমি ধৰি লব পাৰোনে নেকি যে চৰকাৰে নিজে পথ ৰাষ্ট্ৰীয়কৰণ কৰা নীতি বাঞ্চাল কৰাৰ কাৰণে গোপনে গোপনে আওপকীয়া ভাৱে চেষ্টা কৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : সকলো পথৰাস্ত্ৰীয়কৰণ কৰাটো সম্ভৱ নহয়। কিছুমান পথ ৰাষ্টিয়কৰণ কৰিছে আৰু কিছুমান পথত প্ৰাইভেত বাচ চলিবলৈ দিয়া হৈছে। কেতিয়াবা কেতিয়াবা প্ৰাইভেট বাচ আৰু চৰকাৰী বাচৰ অভাৰলেপিং হয়। তাৰোপৰি বজাৰ বিলাকলৈ প্ৰাইভেট বাচেৰে মানুহ বিলাকে বজাৰলৈ অহা যোৱা কৰে।

শ্ৰীগিয়াচুদ্দিন আহমদ : অধ্যক্ষ মহোদয়, মই সুধিছো কিছুমান পথ ৰাস্ত্ৰীয়কৰণ কৰা হৈছে আৰু সেই ৰাস্ত্ৰীয় কৃত পথবিলাকৰ ওপৰেদি প্ৰাইভেট বাছ চলাচল কৰিবলৈও দিয়া হৈছে যাৰ ফলত চৰকাৰী বাছবিলাকৰ বহুতো ঘাটি হয় সেই কাৰণে আমি এইটো ধাৰণা লব নোৱাৰোনে কি যে চৰকাৰে নিজে নিজৰ ৰাস্ত্ৰীয়কৃত নীতিৰ ওপৰত অৱহেলা কৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (পৰিবহন বিভাগৰ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয়-কৰণ কৰা পথৰ ওপৰত গাড়ী চলাবলৈ দিয়া হয় আৰু অভাৰ লেপিংও কৰিবলৈ দিয়া হয় কিন্তু বজাৰ বাছ বিলাক চলাবলৈ অনুমতি দিয়া নহয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, ওৰ্কচপ বিলাকত বাছে দম বান্ধি আছে, কিন্তু সেইবিলাক ৰিপেয়াৰ কৰি চলোৱাৰ ব্যৱস্থা নকৰি বছৰে বছৰে চৰকাৰে নতুন বাছ কিনাৰ ব্যৱস্থা কৰি ওৰ্কচপ বিলাকত বাছবোৰ দম বন্ধোৱাৰ উদ্দেশ্য কি ?

(উত্তৰ নাই)

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড : অধ্যক্ষ মহোদয়, চৰকাৰী বাছবিলাকৰ আয়ুস কিমান বছৰ চলে এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (প: বিভাগৰ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই খবৰ মোৰ নাই।

## বি: নেহৰু ষ্টেডিয়াম আৰু গেষ্ট হাউচ্

শ্ৰীলক্ষ্মী কান্ত শইকীয়াই সুধিছে :

*২২৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী নেহৰু ষ্টেডিয়াম আৰু গেস্ট হাউচ্ কোনে পৰিচালনা কৰে ?

(খ) এই দুটা অনুষ্ঠানলৈ চৰকাৰে আৰ্থিক সাহাৰ্য্য দিয়ে নেকি, আৰু যদি দিয়ে, কি ধৰণে আৰু কিমানকৈ ?

(গ) এই দুটা অনুষ্ঠানৰ পৰা হোৱা আয়ৰ টকা কোনে পায় আৰু তাৰ হিচাপ পত্ৰ কোনে চায় ?

(ঘ) এই ষ্টেডিয়ামৰ লগত আৰু কি কি অনুষ্ঠান আছে আৰু কোনে সেইবোৰ পৰিচালনা কৰে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

২২৯। (ক)—অসমৰ নেচনেল স্পোৰ্টচ ক্লাবে (N.S.C.A.) পৰিচালনা কৰে।

(খ) হয়, নেহৰু ষ্টেডিয়াম আৰু গেষ্ট হাউচ্ নিৰ্ম্মান আৰু উন্নতিৰ বাবে

চৰকাৰে পোনপটিয়াকৈ আৰ্থিক মঞ্জুৰী দিয়ে। ৰাজ্য ক্ৰীয়া পৰিষদৰ জৰিয়তেও আৰ্থিক মঞ্জুৰী দিয়া হৈছে। এই অনুষ্ঠান পৰিচালনাৰ বাবে কোনো বাৰ্ষিক অনুদান চৰকাৰে বা ৰাজ্য ক্ৰীয়া পৰিষদে নিদিয়ে। এই অনুষ্ঠানক দিয়া আৰ্থিক মঞ্জুৰীৰ বিবৰণ তলত দিয়া হল ঃ

টকা

১৯৫৬ চনৰ পৰা ১৯৬৭-৬৮ চনলৈকে, মুঠ—১১,৮৮,৮৩২.৭৫ (ৰাজ্য ক্ৰীয়া পৰিষদৰ জৰিয়তে)

১৯৬৬-৬৭,, মুঠ—১,৫০,০০০ টকা (চৰকাৰৰ পৰা)

১৯৬৭-৬৮,, মুঠ—১,৫০,০০০

১৯৬৮-৬৯,, কোনো মঞ্জুৰী দিয়া নাই।

১৯৬৯-৭০,, মুঠ—৩,৫০,০০০ টকা (চৰকাৰৰ পৰা)

১৯৭০-৭১,, মুঠ—৩,৫০,০০০ টকা (চৰকাৰৰ পৰা)

১৯৭১-৭২,, মুঠ—১,০০,০০০ টকা চৰকাৰৰ পৰা (জিমনাসিয়ামৰ বাবে)

১৯৭২-৭৩,, মুঠ—২,০০,০০০ টকা চৰকাৰৰ পৰা (সাতোৰা পুখুৰীৰ বাবে)

১৯৭০-৭১, ১৯৭১-৭২,, মুঠ—২,০০,০০০ টকা (বিত্ত বিভাগৰ লটাৰী পুঁজিৰ পৰা বিত্ত বিভাগে দিছে)।

তাৰোপৰি কেন্দ্ৰীয় চৰকাৰে নেহৰু ষ্টেডিয়াম নিৰ্মাণৰ বাবে ৩,৫০,০০০ টকা পৰিপূৰক অনুদান matching Grant দিছিলো।

(গ)—এই স্বেচ্ছামূলক অনুষ্ঠানৰ (১) (Voluntary Organisation) আয়ৰ টকা অসমৰ নেচনেল স্পোর্টচ্ ক্লাবৰ ৰিজিওনেল কমিটিৰ প্ৰাপ্য। স্বেচ্ছামূলক প্ৰতিষ্ঠানৰ নিয়ম অনুসৰি আয়-ব্যয়ৰ হিচাপ তেওঁলোকৰ অনুমুদিত অডিটৰৰ দ্বাৰা পৰীক্ষিত হয়। কিন্তু চৰকাৰী অনুদানৰ হিচাপ পত্ৰ অসম মহাগাণনিক A.G. Assam বিভাগে পৰীক্ষা কৰে।

(ঘ)—নেহৰু ষ্টেডিয়াম কর্তৃপক্ষৰ পৰিচালিত অইন কোনো অনুষ্ঠান নাই কিন্তু এই ষ্টেডিয়ামৰ লগত বৰ্ত্তমান ইনদোৰ ষ্টেডিয়াম আৰু টেনিচ্ কোর্টও আছে। নেচনেল্ স্পোর্টচ ক্লাবৰ (N.S.C.A.) গুৱাহাটী ৰিজিওনেল কমিটিয়ে ইহঁতক পৰিচালনা কৰে।

শ্রীলক্ষীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনোৱা মতে হিচাপ কৰি দেখা গল যে কেইবা লাখো টকা এই ষ্টেডিয়ামে লাভ কৰিছে, এই টকাটো সত্ ব্যৱহাৰ কৰা হৈছেনে ? আৰু এই ষ্টেডিয়ামত খেলা খেলাবোৰৰ পৰা যি আয় হয় সেই টকাৰ সদব্যৱহাৰ কৰা হৈছেনে ? তাৰোপৰি স্পর্টচ ক্লাবে যি টকা পাব লাগে সেই টকাৰ হিচাব এটা এই সদনত দাখিল কৰিব পাৰিবনে ?

শ্রীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেওঁলোকে দিয়া খবৰ মতে মই জনাওঁ যে খেল বিলাকৰ পৰা তেওঁলোকৰ বৰ বেছি লাভ নহয়। বৰদলৈ তফীৰ পৰা যি টকা পায় সেয়া বছৰি দহ-বাৰ হেজাৰ মান হয়। তাৰে ভাৰা দিওতে ৭ হেজাৰ মান টকা যায় আৰু খৰচ হয় ৩০,৯৭৮ টকা সেই কাৰণে বৰ বেছি লাভ হোৱা নাই খৰছ হে বেছি হৈছে। ১৯৭০ চনলৈকে ইয়াৰ অদিট কৰা হৈছে।

শ্রীমানবেন্দ্ৰ শৰ্ম্মা : অধ্যক্ষ মহোদয়, গুৱাহাটী নেহৰু ষ্টেডিয়াম আৰু গেষ্ট হাউচ এন, এচ চি এৰ দ্বাৰা পৰিচালিত হয় বুলি মন্ত্ৰী মহোদয়ে কৈছে ইয়াৰ সদস্য সকল কেতিয়া নিৰ্বচিত হৈছিল আৰু বছেৰেকীয়া সভাখন কেতিয়া হৈছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্রীহৰেন্দ্ৰ নাথ তালুকদাৰ : (পঃ বিঃ মন্ত্ৰী) সেই খবৰ মোৰ হাতত নাই অধ্যক্ষ মহোদয়।

শ্রীওমৰোদ্দিন : অধ্যক্ষ মহোদয়, এই অনুষ্ঠান দুটাত বছৰে বছৰে যি অনুদান দিয়া হৈছে সেই অনুদান কিবা বিশেষ আঁচনিৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে নেকি ? যদি নাই হোৱা তেন্তে সেই টকাটোৰ সদব্যৱহাৰ কৰা যে হৈছে তাক চাবৰ বাবে কিবা ব্যৱস্থা চৰকাৰৰ আছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : (মন্ত্ৰী) ঃ আঁচনিৰ ওপৰতেই দিয়া হয় আৰু সেই মতে আদিতো কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, নেচনেল স্পচৰ নামত গুৱাহাটীৰ নেহেৰু ষ্টেডিয়াম আৰু গেষ্ট হাউচ দুটা প্ৰপাৰটিভ ৰূপান্তৰ হৈছে এই কথা চৰকাৰে জানেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ প্ৰপাৰটি হিচাবে এই অনুষ্ঠান দুটা ব্যৱহাৰ কৰা কথাটো মই নাজানো ।

শ্ৰীমতী চৈয়দা আনোৱাৰ টাইমুৰ : অধ্যক্ষ মহোদয়, কেইবাটাও বিভাগৰ পৰা কেইবা হাজাৰো টকা নেহেৰু ষ্টেডিয়ামক দিয়া হৈছে তাৰ বাহিৰে চৰকাৰৰ ফালৰ পৰা ঋণ দিয়াও হৈছেনেকি ? যদি হৈছে তাৰ পৰিমাণ কিমান মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকাৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ঋণ দিয়া হোৱা নাই ।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, বৰদলৈ তফী বুলি যিটো খেল হয় সেই খেল পৰিচালনা কৰে স্পৰ্চ ক্লাব এচচিয়েচনে। কৰ বাদ দি এক দশমাংশ ষ্টেডিয়ামক দিব লাগে । বাকী টকাটো স্পৰ্ছ ক্লাব এচচিয়েচনে পাইনে ? ঠিক তেনে ধৰণেৰে আৰু কিছুমান সাংস্কৃতিক অনুষ্ঠান তাত হয় আৰু সেই বিলাকৰ পৰাও দশমাংশ টকা দিব লাগে। এই টকাবোৰৰ হিচাব চৰকাৰে পাইনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সাংস্কৃতিক অনুষ্ঠানৰ পৰা কি হিচাবে টকা লোৱা হয় তাৰ হিচাব মোৰ হাতত নাই । কিন্তু বৰদলৈ তফীৰ পৰা তেওঁলোকে শতকৰা দহ ভাগ ললেও স্পৰ্চ এচচিয়েচনৰ লাভ নহয় সেই কাৰণে মই কৈছো যে বছৰি দহ বা বাৰ টকা আয় হয় ৩১-১২-৭২ তাৰিখলৈকে অদিত কৰা হৈছে অধ্যক্ষ মহোদয় ।

শ্ৰীমানবেন্দ্ৰ শৰ্মা ঃ অধ্যক্ষ মহোদয়, অনুদানৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কৈছে যে চৰকাৰৰ ফালৰ পৰা নেহেৰু ষ্টেডিয়াম আৰু গেষ্ট হাউচ নিৰ্ম্মাণ আৰু উন্নতিৰ কাৰণে পোন পত্তীয়াকৈ আৰ্থিক মঞ্জুৰী দিয়া হয়। এই টকাটো ঠিকমতে খৰচ কৰা হৈছে নে নাই তাৰ খবৰ চৰকাৰে ৰাখেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : অধ্যক্ষ মহোদয়, ১৯৭২ চনৰ ৩১ ডিচেম্বলৈ যি খৰছ

কৰা হল তাৰ অদিত কৰা হৈছে আৰু তাৰ পিচৰ যিখিনি খৰচ সেই খৰচ অনু-সন্ধান কৰিবৰ কাৰণে ডেপুটি ডিৰেক্টৰ ফাইনেন্সক কোৱা হৈছে।

শ্ৰীমতী ৰেনুকাদেৱী বৰকটকী: অধ্যক্ষ মহোদয়, অসম চৰকাৰে গুৱাহাটী নেহেৰু ষ্টেডিয়ামক ৩০ লাখৰো অধিক টকা আৰ্থিক মঞ্জুৰী দি আছে। কিন্তু অন্য ঠাইত যদি এনে কিবা এটা অনুষ্ঠান পাতিব লগা হয় তেন্তে তেতিয়া চৰকাৰে সুধিব যে সেই অনুষ্ঠানৰ বছেৰেকীয়া অনুষ্ঠান পতা হৈছে নে নাই তাৰ কাৰ্য্য নিৰ্বাহক কমিটি আছে নে নাই ইত্যাদি নানান কথা। কিন্তু এন, এচ, চি এ অসমত ৰিঅৰগেনাইজেইশ্যন নকৰা স্বত্বেও আৰু এই দুজন চাহাব মৰি ভূত হোৱা স্বত্বেও কেনেকৈ লাখ লাখ টকা দি আছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই খবৰটো অৱশ্যে মোৰ হাতত নাই।

শ্ৰীমতী ৰেনুকাদেৱী বৰকটকী: অনুদান দিবৰ সময়ত চৰ্ত্ত অনুযায়ী কেনেকুৱা কাৰ্য্যকলাপ আছে, গৰ্ভানিং বডিৰ সাধাৰণ সভা বহিছিলনে নাই, টকা পইচাৰ হিচাব দাখিল কৰিছিল নে নাই ইত্যাদি কথা চায়নে নাচায়?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী): প্ৰয়োজন নিয়ম অনুসৰি দিয়া হয়। সেই-বিলাক নিশ্চয় আছে কিন্তু খবৰটো মোৰ হাতত নাই।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া: ষ্টেডিয়াম গেষ্ট হাউচ্‌ত বিলাতী মদৰ দোকান এখন আছে তাত প্ৰচুৰ লাভ হয়। শুনিবলৈ পাইছো বিক্ৰেতাজনে ৪০ হেজাৰ টকা আত্ম-সাত কৰিছে। সেই সম্পৰ্কত ষ্টেডিয়াম কতৃপক্ষই কিবা ব্যৱস্থা লৈছেনে নাই?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ: সেইটো অ'টনমাচ বডি।

শ্ৰীদলাল চন্দ্ৰ বৰুৱা: যিটো অনুষ্ঠানৰ ১২ বছৰে কোনো সাধাৰণ সভা বহা নাই, টকা পইচাৰ হিচাব দাখিল কৰা নাই সেই অনুষ্ঠানটোক কিয় টকা পইচা দি থকা হৈছে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী): মিটিং হয়তো হৈছে কিন্তু খবৰটো মোৰ হাতত নাই।

শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা: শ্ৰীশইকীয়া ডাঙৰীয়াও কৈছিল যে যোৱা ১০ বছৰে

এই অনুষ্ঠান খনে ২০ লাখ টকা বিভিন্ন শিতানৰ পৰা নিছে। অনুষ্ঠানটোৱে আমাৰ খেলা ধুলাৰ অধিকাংশ টকা লৈ যায়। এই ক্ষেত্ৰত আমাৰ সন্দেহ হৈছে গতিকে সন্দেহ ভঞ্জন কৰিবৰ কাৰণে এই অনুষ্ঠানটোৰ মিটিং হৈছে নে নাই, টকা পইচাৰ হিচাপ দাখিল কৰিছেনে নাই ইত্যাদি সম্পৰ্কে অনুসন্ধান কৰি এটা ৰিপৰ্ট সদনত দাখিল কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : মই কৈছো যে ডিৰেক্টৰ অৱ ফাইনেন্স ইন্সপেক্চনক এইটো সম্বন্ধে অনুসন্ধান কৰিবলৈ দিয়া হৈছে।

শ্ৰীবিজয়কৃষ্ণ সন্দিকৈ : মন্ত্ৰী মহোদয়ে এইটো কথা জানেনেকি যে নেচনেল স্পৰ্টচ এচচিয়েচনৰ বহুত সদস্য শ্ৰীমতী বৰকটকী দেৱীয়ে কোৱাৰ দৰে মৰি ভূত হৈছে আৰু বহুতো অসমতেই নাই। গতিকে নতুন সদস্য লবৰ কাৰণে কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : তেওঁলোকৰ সংবিধান আছে আৰু সেইমতে কাম চলাই আছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : আমাৰ চৰকাৰৰ ফালৰ পৰা কিছুমান ভুৱা অনুষ্ঠানক বা গাই-গোটীয়া মানুহক টকা পইচা দি থকা হৈছে। গতিকে সদন চলি থকা অৱস্থাত এই বিষয়ে তদন্ত কৰি এটা ৰিপৰ্ট সদনৰ আগত দাঙি ধৰিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ : সদস্যসকলৰ সন্দেহ ভঞ্জন কৰিবৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীদুলাল খাউণ্ড : মন্ত্ৰীমহোদয়ে যোৰহাটলৈ যাওঁতে এন, এচ, চি, এ, ৰিজিয়নেল কমিটিৰ সম্পৰ্কত এটা সজাতি দলে লগ ধৰা কথাটো সচঁনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : ৰিজিয়নেল কমিটিৰ কথা কৈছিল।

শ্ৰীঅতুল শইকীয়া : অধ্যক্ষ মহোদয়, ষ্টেডিয়ামত ৮টা ঘৰ আৰু ৰেষ্টুৰাঁ আছে। সেইবিলাকৰ পৰা চাৰে সাত হেজাৰ টকা পায় আৰু গেলেৰীৰ পৰা এক হেজাৰ টকা বছৰি পায়। তাৰোপৰি চাহ নিলাম বজাৰৰ পৰা ২৯৭৫ টকা মাহে পায়। এই সকলোবিলাক কথা তদন্তৰ ভিতৰত সোমাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : সোমাব।

## বি ঃ আৰ্ট গেলাৰী

শ্ৰীমতী ৰেনুকাদেৱী বৰকটকীয়ে সুধিছে ঃ

*২৩০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত এটা আৰ্ট গেলেৰী লাগে বুলি বহুত দিনৰ পৰা ৰাইজে বিষেশকৈ কলামোদি সকলে দাবী কৰি অহা কথাটো সচাঁনে?

(খ) যদি সচাঁ হয়, এই বিষয়ে চৰকাৰে কিবা বিবেচনা কৰিছেনে?

(গ) উঠি অহা নতুন শিল্পী সকলক তেওঁলোকৰ শিল্পী প্ৰতিভাৰ প্ৰতি উদগনি দিবলৈ চৰকাৰে গুৱাহাটী চহৰত এটা গেলেৰী স্থাপনৰ দায়িত্ব হাতত লবনে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৩০। (ক)—হয়, সঁচা।

(খ)—হয়, বিবেচনা কৰিচে।

(গ)—হয়, গুৱাহাটী চহৰত এটা আৰ্ট গেলেৰী খুলিবৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীমতী ৰেনুকাদেৱী বৰকটকী ঃ অধ্যক্ষ মহোদয়, যোৱা পৰহি দিনা মূখ্যমন্ত্ৰী ডাঙৰীয়াই বাজেট দাঙি ধৰিছে। এই বাজেটত আৰ্ট গেলেৰীৰ কাৰণে কিমান টকা ধৰা হৈছে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ ১০ হেজাৰ টকা ধৰা হৈছে।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী ঃ এই ১০ হেজাৰ টকাৰে কেনে ধৰণৰ আচনি কৰিব বুলি ভাবিছে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ চাৰে তিনি লাখ টকাৰ আচনি কৰিছো। অহা বছৰৰ কাৰণে ১০ হেজাৰ টকা ৰাখিছো।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী ঃ বছৰি ১০ হেজাৰকৈ টকা দি চাৰে তিনি লাখৰ আচনি খন সম্পূৰ্ণ কৰিবলৈ ৩৫ বছৰ নালাগিব নে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ যিমান সোনকালে পৰা যায় কাৰ্য্য-কৰি কৰিবলৈ যত্ন কৰিম।

## বি: গান্ধীবাৰী ডাক্তৰখানা

শ্ৰীঅম্বৰিশ লাহৰিয়ে সুধিছে :

*২৩১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তামোলপুৰ সমষ্টিত গান্ধীবাৰী বুলি নতুনকৈ এখন ডাক্তৰখানা প্ৰতিষ্ঠা কৰা হৈছে নেকি ?

(খ) এই গান্ধীবাৰী ডাক্তৰখানাখন যোৱা ১৯৭২ চনতে সম্পূৰ্ণ হৈ ডাক্তৰৰ অভাৱত ৰৈ আছে, এই কথাটো সঁচানে ?

(গ) যদি সঁচা হয়, তেন্তে মন্ত্ৰী মহোদয়ে উক্ত ডাক্তৰখানাত ডাক্তৰ নিযুক্তি কিয় দিব পৰা নাই জনাবনে ?

শ্ৰীছত্ৰসিং টেৰণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৩১। (ক)—হয় ।

(খ)—গান্ধীবাৰী ৰাজ্যিক চিকিৎসালয়ৰ ঘৰ-দুৱাৰ সম্পূৰ্ণ কৰি গড়কাপ্তানি বিভাগে যোৱা ১০।৯।৭৩ তাৰিখে স্বাস্থ্য বিভাগক চমজাই দিয়ে। ১৯।৯।৭৩ তাৰিখে এজন চিকিৎসা স্নাতকক এই চিকিৎসালয়ৰ অসামৰিক সহকাৰী শল্য চিকিৎসক হিচাবে নিয়োগ কৰা হয়। তেওঁ নিৰ্দ্ধাৰিত সময়ত কাৰ্য্যভাৰ গ্ৰহণ নকৰাত ২৫।১।৭৩ তাৰিখে আন এজন অসামৰিক সহকাৰী শল্য চিকিৎসকক গান্ধীবাৰীলৈ বদলি কৰি হুকুম জাৰি কৰা হৈছিল। তেৰোঁ কাৰ্য্যভাৰ গ্ৰহণ নকৰাত ২৫।২।৭৪ তাৰিখে তঁাৰ যোগে অন্য এজন ডাক্টৰক গান্ধীবাৰী ৰাজ্যিক চিকিৎসালয়লৈ বদলি কৰা হৈছে। বৰ্ত্তমান ঔষধ মিশ্ৰকজনে চিকিৎসালয়খন চলাই আছে।

(গ)—ওপৰৰ (খ) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

শ্ৰীঅম্বৰিশ লাহৰি : ডাক্তৰখানাখন সম্পূৰ্ণ হৈ থকা স্বত্বেও এজন শৈল্য চিকিৎসক দিব নোৱাৰাটো প্ৰশাসনীয় দুৰ্বলতা নহয় নে ?

শ্ৰীচন্ত্ৰচিং টেৰণ : এই সকলো দুৰ্বলতা গোচাবৰ কাৰণে শৈল্য অসামৰিক চিকিৎসকে খবৰ দিছে যে কালি যি জন ডাক্তৰক শেহতীয়াকৈ বদলি কৰা হৈছিল তাত তেওঁ জইণ্ট কৰিছে।

## বি ঃ মাধ্যমিক স্কুলৰ ঘাটি মঞ্জুৰী

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে ঃ

*২৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ কিমানখন তদৰ্থ মঞ্জুৰী পোৱা মাধ্যমিক স্কুলক ১৯৭২-৭৩ আৰু ১৯৭৩-৭৪ চনত ঘাটি মঞ্জুৰী দিয়া হল ?

(খ) তদৰ্থ মঞ্জুৰী পোৱা কিমানখন স্কুলক যোৱা বছৰৰ ভিতৰত ঘাটি মঞ্জুৰী দিয়া হব বুলি চৰকাৰে উক্ত স্কুল সমূহৰ শিক্ষক সকলৰ লগত চুক্তি কৰিছিল ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩২২। (ক)—১৯৭২-৭৩ আৰু ১৯৭৩-৭৪ চনত তেনেকুৱা কোনো স্কুলকে এতিয়া লৈকে ঘাটি মঞ্জুৰী দিয়া হোৱা নাই।

(খ)—অসমৰ মখ্যমন্ত্ৰী আৰু অসম হাইস্কুল শিক্ষক সন্থাৰ সহিত এই বিষয়ে হোৱা আলোচনাৰ সিদ্ধান্ত তলত দিয়া হল—

3. (i) All fully affiliated High Schools as existent on January 1, 1968 numbering 92 Schools will be taken over on the 1st February 1974 under the deficti System.

শ্ৰীনগেন চন্দ্ৰ বৰুৱা ঃ মই এইটো কথা জানিব বিচাৰিছো যে ১৯৭৩ চনত শিক্ষক সকলৰ লগত যি খন চুক্তি হৈছিল সেই চুক্তি মতে স্কুল বিলাক ১৯৭৩ চনতেই লোৱাৰ কথা আছিল। কিন্তু ১৯৭৩ চনতেই এই স্কুল বিলাক নলৈ ১৯৭৪ চনত কিয় লবলগীয়া হল ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ মই কৈছোৱেই যে তেখেত সকলৰ লগত আলোচনা হোৱা মতে ১৯৭৪ চনৰ পৰা লোৱা হব বুলি।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ মন্ত্ৰী মহোদয়ে কৈছে যে মুখ্যমন্ত্ৰীৰ লগত হোৱা আলোচনাৰ ভিত্তিক ১৯৭৪ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা ঘাটি মঞ্জুৰীলৈ লোৱাৰ কথা আছে। কিন্তু মই জানিব বিচাৰিছো যে এই স্কুল বিলাক ঘাটি মঞ্জুৰীলৈ ৰূপান্তৰিত কৰা হলনে নাই ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ এইটো কৰাৰ ব্যৱস্থা হৈ আছে।

শ্ৰীকবীৰচন্দ্ৰ ৰায় প্ৰধানী : যিকেইখন স্কুল ঘাটি মঞ্জুৰিলৈ ৰূপান্তৰিত কৰা হৈছে মই জানিব বিচাৰিছো যে কোন কোন জিলাত কিমান স্কুল ঘাটি মঞ্জুৰিলৈ ৰূপান্তৰিত কৰা হৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এতিয়ালৈকে ঘাটি মঞ্জুৰীলৈ ৰূপান্তৰিত কৰা হোৱা নাই । কৰাৰ ব্যৱস্থাহে কৰি থকা হৈছে ।

শ্ৰীগিয়াচুদ্দিন আহমেদ : এই ৯২ খন কৰ কৰ ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : লিষ্ট খন মোৰ হাতত নাই ।

Shri Mal Chandra Pegu : Sir, may I know from the Hon'ble Minister whether the Govt. will give importance to the Schools located in the tribal areas at the time when affiliated the Schools which will be taken up under the deficit system ?

Shri Harendra Nath Talukdar (Minister) : Sir, I have already stated that affiliated High Schools as existent on Jnnuary, 1, 1968, numbering 92 Schools will be taken over on the 1st of February, 1974, under the deficit system.

Shri Mal Chandra Pegu : Sir, my question is whether the Schools located in the Tribal belts will be taken over under the deficit system ?

Shri Harendra Nath Talukdar (Minister) : Sir, my reply is very specific in this respect. Affiliated High Schools as existent on January, 1, 1968, will be taken over under the deficit system.

Shri Md. Umaruddin : Sir, in taking over the Schools under the deficit system, whether weightage will be given to the Schools located specially in the backward areas ?

Shri Harendra Nath Talukdar (Minister) : Sir, my reply is

very specific in this particular question. As I have stated, all fully affiliated High Schools as existent on January, 1, 1968, numbering 92 Schools will be taken over under the deficit system and agreement has been made accordingly.

শ্ৰীগিয়াচুদ্দিন আহমেদ : মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৬৮ চনৰ ১ জানুৱাৰীত এক-জিচটেণ্ট থকা স্কুল বিলাক লোৱা হব। কিন্তু মই জানিব বিচাৰিছো যে ১৯৬৮ চনৰ পিচত এতিয়ালৈকে যি বিলাক স্কুল স্থাপন কৰা হৈছে সেই বিলাক স্কুল কেতিয়া লোৱা হব ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এই স্কুল সমুহ ফুলি এফিলেটেড হলে ১৯৭৪-৭৫ চনত বিবেচনা কৰা হব।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা : শিক্ষক সন্থাৰ লগত আলোচনা কৰোতে ৯২ খন স্কুল লোৱাৰ কথা কোৱা হৈছিল কিন্তু শিক্ষক সকলৰ লগত আলোচনা কৰোতে পিচপৰা অঞ্চলৰ কথাটো বিবেচনা কৰা হৈছিলনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : ১৯৭৪-৭৫ চনত এই বিলাক কথা বিবেচনা কৰা হব।

শ্ৰীনগেন বৰুৱা : ১৯৬৮ চনৰ ১ জানুৱাৰীলৈকে চলি থকা স্কুল বিলাকৰ ভিতৰত ৯২ খন ফুলি ৰিকগনাইজ স্কুল লোৱা হব। মই জানিব বিচাৰিছো যে মুঠ স্কুল কিমান সেই সময়ত আছিল।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকাৰ : ৯২ খন স্কুল লোৱাৰ ব্যৱস্থা হৈছে যদিও মুঠ স্কুল ১২৩ খন আছিল।

শ্ৰীনগেন বৰুৱা : এই ১২৩ খনৰ ভিতৰত ৯২ খন লোৱা হব, কিন্তু বাকী কেই-খনকনো কিয় বঞ্চিত কৰিব লগীয়া হল ?

শ্ৰীজগদিশ দাস : ১৯৬৮ চনৰ ১ জানুৱাৰীলৈকে যি বিলাক স্কুল লোৱাৰ ব্যৱস্থা কৰিছে সেই বিলাক কি ভিত্তিত লোৱাৰ ব্যৱস্থা কৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : ফুলি এফিলেটেদ যি বিলাক স্কুল আছিল তাৰ ভিতৰত ৯২ খন লোৱা হব বুলি কোৱা হৈছে।

**Starred Question No. 233 was not put in member being absent**

## বি ঃ ছোৱালী পলিটেক্নিক

শ্ৰীমতী ৰেনুকাদেৱী বৰকটকীয়ে সুধিছে ঃ

*২৩৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ছোৱালী পলিটেক্নিকৰ কাৰণে এতিয়ালৈকে স্থায়ী ঘৰ আৰু হোষ্টেল হৈ নুঠা কথাটো সঁচানে ?

(খ) যদি সঁচা হয় তেন্তে পলিটেকনিকৰ কাৰণে মাটি কেতিয়া অধিগ্ৰহণ কৰা হৈছিল আৰু কেতিয়া ঘৰ সাজিবলৈ কাক অনুমতি দিয়া হৈছিল ?

(গ) স্থায়ী ঘৰ এতিয়ালৈ হৈ নুঠাৰ ফলত বৰ্ত্তমানে থকা অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউটৰ হোষ্টেলত ছোৱালী অকলে নানান অসুবিধাৰ সন্মুখীন হোৱাৰ কথাটো সঁচা নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৩৪। (ক)—হয়, সঁচা।

(খ)—এই পলিটেক্নিকখন সাজিবৰ কাৰণে ১৭।২।৬৫ তাৰিখে ২৯ বিঘা ২কঠা ৫ লেচা মাটি অধিগ্ৰহণ কৰা হয় আৰু ১৯৬৮ চনৰ মাৰ্চ্চ মাহত অসম চৰকাৰৰ নিৰ্মান নিগমক ঘৰ সাজিবলৈ অনুমতি দিয়া হৈছিল।

(গ)—সঁচা নহয়।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী ঃ মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৬৮ চনতেই আচাম কনচট্ৰাকচন কৰ্পৰেচনক ছোৱালী পলিটেকনিকৰ ঘৰ নিৰ্ম্মাণ কৰিবলৈ দিয়া হৈছিল। কিন্তু আজি এই ৬।৭ বছৰ পলিটেক্নিকৰ ঘৰ নিৰ্ম্মাণ নকৰাৰ কাৰণটো জনাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ ১৯৬৮ চনতেই তেখেত সকলক কাম কৰিবলৈ দিয়া হৈছিল। কিন্তু সেই সময়ত সেই ঠাইলৈ যাবলৈ হলে ৰেল লাইন পাৰ হৈ যাব লাগে। আৰু ৰেল কর্তৃপক্ষই হেভি ট্ৰাক আদি পাৰ কৰিবলৈ নিদিয়াৰ কাৰণে সেই সময়ত কাম কৰিব পৰা নহল। ১৯৭০ চনৰ পৰা সেই কাম পুনৰ কৰিবলৈ দিয়া হৈছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ ১৯৭০ চনত এটা লেভেল কুচিং দিয়াৰ উপৰিও এটা ৰাস্তাও হৈছে। তথাপি আজি ৪ বছৰে এই কাম কিয় হোৱা নাই ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ ১৯৬৮ চনত যিটো এচটিমেট আছিল সেই এচটি মেট ৰিভাইচ কৰিব লগীয়া হয়। আৰু সেইটো ৰিভাইচ কৰি ১৯৭০ চনৰ পৰা কাম আৰম্ভ কৰিবলৈ দিয়া হৈছে যদিও চিমেণ্ট লোহা আদিৰ অসুবিধাৰ কাৰণে সেই কাম সম্পূৰ্ণ কৰিব পৰা নাই।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ (গ) প্ৰশ্নৰ উত্তৰত 'সঁচা নহয়' বুলি কৈছে। কিন্তু পলিটেক্‌নিকৰ ছোৱালীৰ অভিভাৱক সকলে আৰু ইউনিয়ন চেক্ৰেটাৰীয়ে মন্ত্ৰী মহোদয়লৈ এখন আবেদন কৰি কৈছিল (আৰু সেই আবেদনৰ কপি আমালৈকো পঠাইছিল) যে ইঞ্জিনীয়াৰিঙ Institute লৰা বিলাকৰ লগত পলিটেক্‌নিকৰ ছোৱালী বিলাকৰ মাজত সদায় খিট খিট কৈ লাগি থাকে। এই কথা মন্ত্ৰী মহোদয়ে জানেনে নাজানে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ মই নাজানো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ ইউনিয়ন চেক্ৰটাৰীয়ে সেই কথা তেওঁখেতক জনাইছে আৰু তাৰ কপি আমালৈকো দিছে।

শ্ৰীজগদিশ দাস ঃ ছোৱালী বিলাকৰ হোষ্টেল নোহোৱাৰ কাৰণে লৰাৰ হোষ্টেলত ৰখা হৈছে। আৰু লৰাৰ হোষ্টেল নোহোৱাৰ কাৰণে যি বিলাক ইন্‌ষ্ট্ৰাকটৰৰ কোৱাটাৰ আছিল সেই বিলাকত লৰা বিলাকক কোনো ৰকমে ৰাখি থোৱাৰ কথাটো সঁচানে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ যি সময়ত ছোৱালী পলিটেক্‌নিক লোৱা হৈছিল সেই সময়ত ইঞ্জিনীয়াৰিঙৰ লৰা কম হোৱাৰ কাৰণে সেই মতেই চলিছিল। এতিয়ালৈকে পলিটেক্‌নিকৰ হোষ্টেলটো নোহোৱাৰ কাৰণে কিছু অসুবিধা নোহোৱা নহয়।

শ্ৰীজালালুউদ্দিন আহমেদ ঃ ছোৱালী পলিটেক্‌নিকৰ হোষ্টেলৰ কাৰণে যি ২৯ বিঘা মাটি অধিগ্ৰহণ কৰা হল তাৰ বাবদ লেণ্ড কমপেনচেচন কিমান দিয়া হল ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ ৪ লাখ ৭৪ হাজাৰ টকা দিয়া হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ এই আচনিখন কেন্দ্ৰীয় আচনি। কেন্দ্ৰীয় চৰকাৰে টকা পইচা দিয়ে। মই জানিব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰে আগলৈকো টকা পইচা দি থাকিবনেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ ১০,৫৪,০০০ টকা দিয়া হৈছিল আৰু ৰিভাইচ কৰাৰ পিছত ১৪,১৬,১৪১ টকা দিয়া হৈছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ আমি মন্ত্ৰী মহোদয়ৰ পৰা জানিছো যে আগতে ইয়াৰ কাৰণে টকা পাইছো আৰু ৰিভাইচ কৰোতেও টকা পাইছো। কিন্তু মই জানিব বিচাৰিছো যে ইমান বছৰে যি ধৰণেৰে টকা পাই আহিছো সেই দৰে আগলৈকো পাই থাকিমনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এইটো খাটাংকৈ কোৱা টান । তথাপি পাই থাকিম বুলি আশা কৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : আচনিখন কেন্দ্ৰীয় আচনি। কেন্দ্ৰীয় আচনি হোৱাৰ কাৰণেই কেন্দ্ৰীয় চৰকাৰে টকা পইচা দি আছে। কিন্তু আমি এতিয়ালৈকে কিমান টকা পালো আৰু কিমান টকা পাম ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এইটো এটা নতুন প্ৰশ্ন ।

শ্ৰীজালালুদ্দিন আহমেদ : যি জন মানুহৰ পৰা মাটি অধিগ্ৰহণ কৰা হৈছে সেই মাটিৰ মালিক জনৰ নাম কি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ এইটো খবৰ মোৰ হাতত নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ এই আচনি খন কেন্দ্ৰীয় চৰকাৰৰ আচনি বুলি স্বীকাৰ কৰি লৈছেনে নাই ? ইয়াৰ কাৰণে যিটো টকা খৰচ কৰা হৈছে সেইটো টকা অসম চৰকাৰৰ ফাণ্ডৰ পৰা খৰচ কৰিছেনে নাই কেন্দ্ৰীয় চৰকাৰৰ ফাণ্ডৰ পৰা খৰচ কৰা হৈছে ? যদি অসম চৰকাৰৰ ফাণ্ডৰ পৰা এই টকা খৰচ হৈছে তেন্তে কেন্দ্ৰীয় চৰকাৰে তাক ৰিইমবাৰচ কৰিছে ।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকাৰ ঃ এইটোকে বেলেগ প্ৰশ্ন কৰিব লাগিব।

Starred Question No. 235 was not put, the Member being absent.

Re: Protection work at Pub-Barkhetri Mouza

Shrimati Renuka Devi Barkataki asked:

*236 Will the Minister, F. C. & I be pleased to State—

(a) What is the amount the Government has spent up till now for protection work at Pub-Barkhetri Mouza of Kamrup District?

(b) How many acres of land could be protected after such expenditure?

(c) Whether, it is a fact that Govt. has proposed to construct another retirement bund to protect some of the areas?

(d) What will be the estimated expenditure on this bund?

Shri Bishnu Prasad (Minister of State, Flood Control & Irrig tion) replied:

236.—Rs. 23,82,234,00 for retirement and Rs. 6,10,852 for stone bull heads.

(b)—The area now protected is about 240 sq. miles.

(c)—Yes.

(d)—The estimated amount will be Rs. 23,66,000,00.

Smti Renuka Devi Barkataki: Sir, the Minister said that after spending 30 lakhs of rupees, 24 lakhs for retirement and 6 lakhs for stone bull heads, the Govt. could protect about 240 sq. miles. May I know from the Minister whether this 240 sq. miles is the entire North Kamrup?

Shri Bishnua Prasad (Minister of State): The areas link with

laopar ; so the embankment which was constructed to protect Laopar is 240 sq. miles.

Smti Renuka Devi Barkataki : May I know from the Minister is the total area gone under the Brahmaputra after this 30 lakhs of rupees was spent ?

Shri Bishnu Prasad (Minister of State) : It is nearly 5 kilometers. It is 5 kilometers from the previous river bank to to the present river bank.

Starred Question No. 237 was not put, the hon' Member being absent.

Re : Technological Subject in Dibrugarh University.

Shrimati Renuka Devi Barkataki asked :

*238 Will the Minister, Education be pleased to State—

(a) What are the technological subjects taught in the Dibrugarh University ?

(b) Whether diploma course in Petroleum and M. Tech. course in Applied Geology has got necessary sanction from the Post Gradute Board of All India Council for Tech. Education ?

Shri Harendra Nath Talukdar (Minister, Education) replied :

238. (a)—1 One year Post-Graduate Diploma Course in Petroleum Technology.

2. Three Years Applied Geology Course leading to the degree of Master of Technology.

(b)—The Dibrugarh University is corresponding with the Assistant Educational Adviser (Technical) Government of India, Ministry of Education and Social Welfare, Eastern Regional office, Calcutta regarding One Year Post Graduate Course in Petroleum Technology who has recommended the same to the Ministry of Education and Social Welfare, New-Delhi.

As regards M. Tech. course in Applied Geology. sanction of the Post Graduate Board of All India Council for Technical Education is not necessary as it is dealt with directly by the University Grants Commission, New-Delhi.

Smti Renuka Devi Barkataki: Sir, when the Dibrugarh University was established it was told that the University will be technology based. But after so many years of its establishment only two subjects taught, namely Post Graduate Diploma course in Petroleum Technology and Master's degree in Applied Geology. May I know from the Minister whether Dibrugarh University has been converted into a traditional University or is it still a technological University ?

Shri Harendra Nath Talukdar ( Minister ): It is a general University, Sir.

Smti Renuka Devi Barkataki: If it is a general University then why this University is corresponding for opening of Post Graduate Course in Petroleum Technology and M. Tech. Course when the Gauhati University could not open these courses ?

Shri Harendra Nath Talukdar ( Minister ): The University liked to open the new courses.

Shri Dulal Chandra Barua : Whether, it is a fact that Dibrugarh University is basically meant for teaching technical snbjects ? If So, whether the Govt. is considering the introduction of technical subjects so that the industries coming up in the State can be manned ?

Shri Harendra Nath Talukdar (Minister) : Yes Sir. Basically it was based for Science & technology.

Smti Renuka Devi Barkataki : We had a traditional University the Gauhati University and then we had the Agricultural University at Jorhat. Now, if Dibrugarh University is to be a general University in a small State like Assam, the people of Assam will have to bear the expenditure, and it was thought that it would be a technical University where technical Subjects would be taught. Why the Govt, could not persuade the University Grants Commission the National council for Tech. Educations to start more technical subjects in that University ?

Shri Harendra Nath Talukdar (Minister) : The Govt. has approached the Education Ministry, Govt of India and they have said, Sir, in reply that there is no employment opportunity now in the country ; so new technical institutions should not be started.

Smti Renuka Devi Barkataki : When the Assam Agricul-University wanted to start tea technology course the same reply was given that there is no employment opportunity. Now if the University Grants Commission says that there is no employment opportunity in petroleum techology in Assam

then wherefrom we will get the technologists to man the petroleum based industries ?

Shri Harendra Nath Talukdar (Minister): There are some other institutions in India.

Smti Renuka Devi Barkataki : May I know from the Minister what is the total number of seats reserved for Assamese students in those institutions ?

Shri Harendra Nath Talukdar (Minister) : That is no fixed. Sir.

Shri Giasuddin Ahmed : The very purpose of the Dibrugarh University Act was that the University will impart education in science and technology ; that is the intention of the Act. Whether Govt. will implement this intention of the Act immediately ?

Shri Harendra Nath Talukdar ( Minister ): Sir, the Govt. will try.

Shri Dulal Chandra Barua : Is it not a fact that the Govt. of India on the plea of dearth of employment potentialities in the entire country, are not conceding to our request to open new subjects in that University ? Do Govt. consider this plea on the part of Govt. of India to import people from outside the State to man the industries in the State ? If so, why the Govt. of Assam at their own initiative do not introduce new Subjects ?

Shri Harendra Nath Talukdar (Minister) : Technical education is approved by the Council for Technical Education.

Unless the Council approves the Govt. of Assam cannot start any technical subject.

Shri Kshirode Saikia : Whether it is for the Govt. of India or the State Govt. to find out employment avenues ?

Shri Harendra Nath Talukdar, ( Minister ): It is the Govt. of Assam and Govt. of India also.

Shri Dulal Chandra Barua : If the Govt. of Assam is to find employment avenues and considering the abandon resources like oil and petroleum in the Assam and also by considering the available raw materials and the Govt. decision to start need based industries in Assam, do Govt. consider it proper to open new subjects in our Universities so that we can man our organisations and industries with our local people instead of allowing others to come and make it a colony for exploitation ?

Shri Harendra Nath Talukdar ( Minister ): I have already replied that Govt. is working out to find where employment avenues are and on that basis Govt. will try to open new subjects.

## Re : Closure of link road

Shri Digendra Chandra Purkayastha asked :

*239. Will the Minister, P. W. D. (R&B) be pleased to state—

(a) Whether it is a fact that the only link road from Bhagabazar to Hawaithang under Silchar 'C' Subdivision is going to be closed due to erosion of the Rukni river near Channighat Village ?

(b) If so, the steps taken by Govt. so far to protect this road from further erosion ?

Dr. Lutfur Rahman [(Minister PWD (R&B)] replied :

239. (a)—No.

(b)—Some temporary protective measures were taken from time to time to protect the road from erosion within the available funds. Proposal to provide permanent protection to the road is under consideration and works will be taken up subject to the availability of funds.

### Re : Black-topping of the Helidiganj Sukchar P. W. D Road

Shri Nurul Islam asked :

*240. Will the Minister, P.W.D. be pleased to state—

(a) Whether any scheme for blacktopping the Hilaidiganj Sukchar P.W.D. road has been undertaken ?

(b) If so, when the work will be started ?

Dr. Lutfur Rahman (Minister, P.W.D.) replied :

(a)—No.

(b)—Does nos arise in vtew of reply at (a) above.

### বি : পদ্মশ্ৰী, পদ্মভূষন আদি উপাধি

শ্ৰীমতী ৰেণুকা দেবী বৰকটকীয়ে সুধিছে :

*২৪১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭১-৭২-৭৩ আৰু ৭৪ চনত ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰা পদ্মশ্ৰী, পদ্মভূষন, পদ্মবিভূষণ আদি উপাধিৰ কাৰণে কোনো অসমীয়া সাহিত্যিক সমাজ সেৱী ক্ৰীড়াবিদ, শিল্পী বা অন্যান্য বিখ্যাত মানুহৰ অনুমোদন ৰাজ্য চৰকাৰে জনোৱা নাছিল নেকি ?

(খ) যদি জনাইছিল, সেই সকলৰ নাম ৰাষ্ট্ৰপতিয়ে গ্ৰহণ নকৰিলে নেকি ?

(গ) যদি জনোৱা নাছিল, ৰাজ্য চৰকাৰে এই চাৰি বছৰৰ ভিতৰত এনে উপাধি পোৱাৰ যোগ্য এজন মানুহৰ নামো উলিয়াব নোৱাৰিলে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

২৪১। (ক)—১৯৭৩ চনৰ বাদে বাকী আটাই কেইবছৰ গণ ৰাজ্য দিবসত ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰা পদ্মশ্ৰী, পদ্মভূষণ, পদ্মবিভূষণ আদি সন্মানিত উপাধিৰ বাবে ৰাজ্য চৰকাৰে এনেবোৰ বিষয়ত অৰ্হতা সম্পন্ন লোকৰ নাম অনুমোদন কৰিছিল।

(খ) ৰাজ্য চৰকাৰৰ অনুমোদন ৰাষ্ট্ৰপতিয়ে গ্ৰহণ কৰিছিল আৰু অনুমোদন কৰা ব্যক্তি সকলৰ মাজৰ পৰা ১৯৭১ চনত (১) স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাক পদ্ম বিভূষণ, (২) শ্ৰীযুত অতুল চন্দ্ৰ হাজৰীকা আৰু (৩) ডক্তৰ ৰবীন বেনাৰ্জীক পদ্মশ্ৰী, ১৯৭২ চনত (৪) স্বৰ্গীয় চন্দ্ৰ প্ৰভা শইকীয়ানিক পদ্মশ্ৰী আৰু ১৯৭৪ চনত (৫) ডক্টৰ মহেশ্বৰ নেওগক পদ্মশ্ৰী উপাধি প্ৰদান কৰে।

(গ)—ইয়াৰ উত্তৰ 'ক' আৰু 'খ' ত দিয়া হৈছে।

**Undisposed Starred Question No 242 df 7. 3. 74**

**Re : Black topping Scheme**

Shri Nurul Islam asked :

*242. Will the Minister, P.W.D. be pleased to state—

(a) When the blacktopping Scheme for Mankachar-Hiladiganj Roadcum Bund was under taken ?

(b) When the blacktopping schme for Mankachar-Mohendraganj P.W.D. road was undertaken ?

(c) Whether blacktopping of these roads have been completed ?

(d) If not, the reasons thereof ?

Dr. Lutfur Rahman (Minister, P.W.D) replied :

243. (a)—January, 1970.

(b)—March, 1970.

(c)—Eighty percent of Mankachar Hiladiganj Road and 30 percent of Mankachar-Mahendraganj Road have since been completed.

(d) – Difficulties in collection of materials on narrow road, difficult site conditions, like water-logging and frequent flood damages. Also non-finalisation of proposed E. &. D. Bund along Dorni river.

## UNSTARRED QUESTIONS AND ANSWERS

### Re: Farming Corporations in Golaghat Subdivision

Shri Gaurisankar Bhattacharyya asked :

35. Will the Minister, Agriculture, be pleased to State—

(a) What are the Farming Corporations, which have been formed up till now in the Golaghat Subdivision ?

(b) What is the total area which has actually been brought under the plough in the said Farminig Corporations ?

(c) What are the crops which are being grown in the said Farming corporations ?

(d) What is the total number of cultivators who are putting in manual labour in the said Farming Corporations ?

(e) What is the total number of landless peasants in the said Subdivision ?

(f) How many of them are planned to be absorbed in the Farming Corporation within the next two years ?

(g) What is the plan for gainful employments of those landless peasants who will not be absorbed in the Farming Corporations ?

Shri Upendra Das, (Minister, Agriculture) replied :

35 (a) Panbari Agricultural Farming Corporation, Golaghat, Bokakhat Registered No: 1 of 1973.

(b) 1230 Bighas.

(c) Sali, Mustard, Pulse, Potato, wheat, Lentil, Peon cole crop etc.

(d) Total Nos. of share sold 162 out of which 130 share-holders have been participating in our production programme.

(e) As on 30th September 1969 without holding land—2717, with holding upto 5 bighas—2289, with holding upto 5-8 bighas 1641.

(f) The immediate programme is to establish one Farming Corporation in each Sub-division depending on availability of land. Absorption of such landless peasants will depend upon availability of land in the Sub-division.

(g) As far as possible the landless peasants are being included under the Special employment progrmrame e. g. Crash Rural employment scheme, Half-a-million job programmes, Rural works programmes, etc.

### Re: G. M. C. Buildings at Narakasur Hill

Dr. Surendra Nath Das asked :

36. Will the Minister, Health be pleased to state—

(a) The total area of land earmarked for construction of the Gauhati Medical College buildings at Narakasur Hill ?

(b) The total area reclaimed for the purpose and the total cost for the reclaimation?

(c) Whether it is a fact that most of the land of the reclaimed area has been occupied by outsiders and permanent structures constructed on it?

(d) If so, the total area of land encroached and the amount spent by Government for improvement of the said area?

(e) The names of the encroachers and the steps taken by Government for eviction?

Shri Chatrasing Teron (Minister, Health) replied:

36. (a) The total area of 399 B. 8K. 7L. of land was earmarked for the Medical College Buildings.

(b) No area was reclaimed but road was constructed from the G.S. Road to the Main College Building, touching the land at a cost of about Rs. 10 lakhs.

(c) Does not arise.

(d) An area of 44B. 2K. 4L. of Medical College land approx. was encroached by the outsiders. No amount was spent by Government for the improvement of the area.

(e) There are 155 encroachers, a list of which with the names is placed on the Table of the House. Government are taking active steps to evict the encroachers.

**Re: Farming Corporations in Dhemaji Sub-division**

Shri Gaurisankar Bhattacharyya asked:

37. Will the Minister, Agriculture, be pleased to state—

(a) What are the Farming Corporations, which have been formed uptill now in the Dhemaji Subdivision ?

(b) What is the total area which has actually been brought under the plough in the said Farminig Corporations ?

(c) What are the crops which are being grown in the said Farming corporations ?

(d) What is the total number of cultivators who are putting in manual labour in the said Farming Corporations ?

(e) What is the total number of landless peasants in the said Subdivision ?

(f) How many of them are planned to be absorbed in the Farming Corporation within the next two years ?

(g) What is the plan for gainnful employments of those landless peasants who will not be absorbed in the Farming Corporation ?

Shri Upendra Das ( Minister, Agriculture ) replied :

37. (a)—No Agricultural Farming Corporation has been formed and registered in the Dhemaji Sub-division.

(b) (c) & (d)—Does not arise.

(e) As on 30th September 1969 in the Lakhimpur District,

Without any land holding—14696.

With holding upto 5 bighas.—9243

With holding upto 5-8 bighas—4627

(f) The immediate programme is to establish one Farming Corporation in each subdivision depending on availability of land. Absorption of such landless peasants will depend on the availability of land for formation for A.F.C.

(g) As far as possible the landless peasants are being included under the Special employment programmes e.g. Crash Rural employment scheme, Half-a-million job programmes etc.

**Re: Farming Corporations in Tinsukia Subdivision**

Shri Gaurisankar Bhattachayya asked :

38. Will the Minister, Agriculture be pleased to state—

(a) What are the Farming Corporations which have been formed uptill now in the Tinsukia Subdivision ?

(b) What is the total area which has actually been bronght under the plough in the said Farming Corporations ?

(c) What are the crops which are being grown in the said Farming Corporations ?

(d) What is the total number of cultivators who are putting in Manual Labour in the said Farming Corporations ?

(e) What is the total number of land-less peasants in the said Subdivisions ?

(f) How many of them are planned to be absorbed in the Farming Corporations' within the next two years ?

লৈ আহিব লাগে আৰু প্ৰকৃততে মাটিহীন মানুহ বোৰৰ মাজত বিতৰণ কৰি দিব লাগে। কাৰোবাৰ যদি ১৫।০ বিঘাৰ ওপৰত মাটি আছে আৰু তেওঁলোকে সেই মাটিতে বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰি অতিৰিক্ত উৎপাদন কৰিব পাৰে তেতিয়াহলে, তেওঁলোকৰ ওপৰতো এটা কৰ লগাব পাৰিলেতেন। সেইকাৰণেইহে মই কওঁ যে, প্ৰকৃত মাটিহীন লোক সকলে মাটি পাব লাগে আৰু যিসকল লোকৰ মাটি ২০।২৫ বিঘাতকৈ বেছি তেওঁলোকৰ ওপৰত এটা কৰ লগাব লাগে বুলি চৰকাৰক মই পৰামৰ্শ আগবঢ়াও। মুঠতে দেশৰ মাটি দেশৰ খেতিয়ক সকলৰ হাতত গতাই দিব লাগে।

তাৰ পিছত নিগমৰ ক্ষেত্ৰত দেখা যায় যে, সদায় লোকচানহে হৈ আছে, ভাত লাভ কৰিব পৰা নাই। ৫ টা লৰাই চাহ দেকোনত' বহি নিগমৰ সম্পৰ্কে এটা আলোচনাকৰি থকা মই এই বুলি শুনিছোঁ যে, নিগমত অৰ্থাৎ 'কৰ্প-ৰেশ্বনৰ যোগে কো অপাৰেচন কৰি কৰপচন কৰিবলৈ ভাল হৈছে"। বিয়নো তাত এতিয়া এজন লোকৰ ভলত নহয়, বহুতো মানুহ লগলাগি কৰিছে। গতিকে কৰ্পৰেশ্বন কৰি কৰাপশ্বন কৰিবলৈ বৰ ভাল হব। এইটোৱেই এই নিগম বিলাকৰ প্ৰতি আমাৰ জনসাধাৰণৰ ধাৰণা। মুঠৰ ওপৰত এইবিলাকত কেৱল লোকচানহে হৈছে। তাৰ পিছত আমাৰ শিক্ষাৰ শিতানত কওঁ যে, আমাৰ শিক্ষানুষ্ঠান বিলাকৰ প্ৰকৃত ইন্সপেকশ্বন নোহোৱাৰ কাৰণে কোনো কাম হোৱা নাই। D.P.I. Office লৈ অহা ৰিপোৰ্টবোৰ অফিচলৈ আহিলেও তাত শুই থাকে কোনো কাম নহয়। গতিকে শিক্ষামন্ত্ৰী মহোদয়ে এইবিলাক কথা ভালদৰে চাব লাগে আৰু এই ইন্সপেকশ্বন ৰিপৰ্ট বিলাক বোৰ্ড অ'ব চেকেণ্ডাৰীৰ চেক্ৰেটেৰীৰ ওচৰলৈ অহাৰ ব্যৱস্থা কৰিব লাগে।

তাৰপিছত মই আমাৰ ৰাজহ বিভাগৰ মন্ত্ৰীক অনুৰোধ কৰিছোঁ যে, আমাৰ ৰাজহৰ টকা যিসকল কৃষক মালিকে দিবলৈ বাকী আছে সেইবিলাক আদায় কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু গড়াখহনীয়া, বানপানী, আদিত বিধস্ত তথা ক্ষতিগ্ৰস্ত আৰু উচ্ছেদিত হোৱা লোক সকলৰ পুৰ্ণবসতিৰ ব্যৱস্থা অতি সোনকালেই কৰিব লাগে। লগতে মই এই কথাও অনুৰোধ কৰিব খোজো যে, আমাৰ যিবিলাক মাটিহীন মানুহ তেওঁলোকক বিছাৰি উলিয়াই সেইমতে তেওঁ-লোকৰ মাজত মাটি বিতৰণ কৰিব লাগে। আমি যিটো দেখিছো প্লেনিং চেলত

আমাৰ এম, এল, এ সকলে আগবঢ়োৱা পৰামৰ্শ বিলাকৰ এটাও আমাৰ বাজেটত আমি দেখিবলৈ পোৱা নাই। আজি গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত যি দেখা পাইছো নগৰ চহৰ অঞ্চলৰ ৰাস্তাঘাট আদি কৰিবৰ কাৰণেহে ব্যৱস্থা ৰখা হৈছে। গাওঁঅঞ্চলত এইবিলাক ব্যৱস্থা লোৱাৰ কাৰণে হলে কোনো ব্যৱস্থা লোৱা হোৱা নাই। নিয়োগৰ ক্ষেত্ৰতো দেখা যায় যে, কোনো বেক আদি নথকাৰ কাৰণে আমাৰ গাৱঁলীয়া লৰা ছোৱালী বিলাকে চাকৰি আদি পোৱাত অসুবিধা হয় সেইকাৰণেই মই কওঁ যে, সমষ্টিৰ ভিত্তিত এটা নিৰ্দ্দিষ্ট পৰিমাণৰ কুটা থিক কৰি সেইমতে নিয়োগৰ ব্যৱস্থা কৰিব লাগে। যাতায়ত, শিক্ষা, ৰাস্তা-ঘাট নিয়োগ আদি সকলো দিশতে এটা সুচিন্তিত আঁচনি লৈ কাম কৰিবৰ কাৰণে মই চৰকাৰৰ ওচৰত অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

(সদনভাটি বেলা ২-৩৫ নিমিটলৈ স্থগিত থাকে)

The House reassembled at 2-35 with the Hon'ble Speaker in the Chair.

শ্ৰীবলভদ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীয়ে যি বাজেট দাঙি ধৰিছে তাক মই সমৰ্থন কৰিছো আৰু দুষাৰ কব বিচাৰিছো। আমাৰ চৰকাৰ গঠন হোৱাৰ লগে লগে এটা ষ্ট্ৰাকচাৰেল চেঞ্জ হব বুলি আমাক জানিব দিছিল। সি আজি বাস্তবত ৰূপায়িত হবৰ সময় হৈছে। ইতিমধ্যে আমাৰ চৰকাৰে ৬৬৩ খন ক-অপাৰেটিভ চচাইটি গঠন কৰিছে। ১১ এপ্ৰিল তাৰিখত পঞ্চায়ত হব। এই ১১ তাৰিখৰ পিচত আমাৰ আৰু সমস্যা নাথাকিব। চৰকাৰে জনসাধাৰণক দায়িত্ব শপি দিব পাৰিব চৰকাৰে ৬৬৩ খন সমবায় গঠন কৰাটো এক বলিষ্ঠ পদক্ষেপ। এই সমবায় বিলাকেই দেশত বস্তুৰ যোগান ধৰিব। মাননীয় সদস্য কেইবা গৰাকীয়ে কৈছে যে সমবায় সমিতি বিলাকৰ ওপৰত আস্থা নাই। এই ধাৰণা ভিত্তিহীন। এই সমবায় বিলাক গঠন কৰাৰ উদ্দেশ্য আছিল Profit making body........whereas it is expedient however to facilitate the working of Cooperative Societies for the purpose of thrift self-help and material aid. আজি বহুতে এটা কথা দাঙি ধৰিছে যে সহায়িকা ফেইল কৰিছে। সহায়িকাই মানুহক চাউল আটা আদি দি সহায় কৰিছিল। সহায়িকাত লোকচন হৈছে। হবই। সহা-

য়িকাখন আছিল সমবায় ভিত্তিত ব্যৱসায় নহয়। সহায়কখনক দিছিল মাত্র তিনিলাখ টকা আৰু তিনিবছৰ চলিল। গতিকে ২৫ লাখ টকা দিব লাগে তেতিয়াহলে আৰু বেচিদিন চলিব। আমাৰ যিবিলাক সমবায় গঠিত হৈছে তেওঁলোকক ১০ হেজাৰ টকা দিছে। মই কওঁ ১০ লাখকৈ টকা দিব লাগে। তেতিয়াহলে বেচিদিন চলিব। এই বিলখন পাচ কৰাৰ সময়ত বিৰোধী দলৰ সদস্য সকলে কিয় আপত্তি কৰা নাছিল? এই সমবায়ৰ আচল উদ্দেশ্য হল ৰাইজৰ সেৱা কৰা। নাটনিৰ সময়ত বস্তুৰ যোগান ধৰিব। সমবায় আন্দোলনৰ বলিষ্ঠ পদক্ষেপ হিচাবে চাব লাগে যাতে আমাৰ ৰাইজে সকলো বস্তু সমবায়ৰ যোগেদি পাব পাৰে। আমাৰ মাননীয় সদস্য শ্ৰীবীৰেণ ৰাম ফুকন বিলাতি মাটিৰ দায়িত্বত থকা সদস্য হিচাবে……

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : বিলাতি মাটিৰ দায়িত্ব কি বুজা নাই।

শ্ৰীবলভদ্ৰ দাস : চিমেণ্ট আদি বিতৰণ কৰাৰ দায়িত্বত আছে। গুৱাহাটী চহৰৰ মানুহক চিমেণ্ট লগা হলে তেখেতে লিখি দিয়ে আৰু সেই লিখাখন লৈ যোগান বিভাগৰ অফিচলৈ যায় আৰু তাৰপৰা পাৰ্মিট দিয়ে। কিন্তু পাৰ্মিট পোৱা মানুহজন তেতিয়া আৰু বিপদত পৰে কিয়নো ডিলাৰৰ ওচৰলৈ গলে চিমেণ্ট নাই বুলি কয় আৰু ফলত আকৌ যোগান বিভাগৰ অফিচলৈ ঘূৰি যাবলগীয় হয় আৰু তেতিয়া যোগান বিভাগৰ অফিচত কয় যে এইবাৰ নহল যদিও পিচৰ বাৰলৈ তেওঁক দিয়া হব ইত্যাদি। ফলত পাৰ্মিট কেনচেল হৈ যায়। গতিকে এইবিলাক কাম সমবায়ৰ যোগেদি কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰো। দ্বিতীয়তে সমবায় সমিতি গঠন হোৱাৰে পৰা নিবনুৱা সমস্যা সমাধান কৰিম বুলি আমি ইয়াত চিঞৰি আছো যদিও কাম হোৱা নাই গতিকে সমবায়ৰ যোগেদি এইবোৰ কাম কৰিব লাগে। বৰ্তমানে ৭৬৩ জন গ্ৰেজুৱেট লৰাক ট্ৰেইনিং দিয়াৰ কাৰণে ব্যৱস্থা লৈ ৭৬৩ টা সমবায় চলাবলৈ। ইয়াৰ কাৰণে ন লাখ ৰৌষষ্টি হাজাৰ টকা খৰচ কৰিবলৈ আগবাঢ়ি আহিছে এইটো ভাল কথা হৈছে। ইয়াৰ পিচত নতুনকৈ যি পঞ্চায়ত গঠন কৰা হব সেইটো আৰু ভাল কথা হব। কিন্তু পঞ্চায়ত আৰু সমবায়ত বেছি টকা ধৰা হোৱা নাই। গতিকে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো এই বিকেন্দ্ৰীভূত কামত যথোপযুক্ত সুবিধা দিবলৈ। যাতে ইয়াৰ কাৰণে বেছি অনুদান দিয়ে তাকে অনুৰোধ

জনালোঁ। আন এটা কথা হৈছে পঞ্চায়ত আইনৰ ৬৯ নং অনুচ্ছেদত আছে যে পঞ্চায়ত বিলাকক আমাৰ চৰকাৰে বহুত ক্ষমতা দিছে। সেই ক্ষমতা ইমান বেছি যে পঞ্চায়তে ৰাইজৰ ওপৰত কৰ আদিও লগাব পাৰিব কিন্তু সেই কথা ৰাইজক বুজাই দিয়া হোৱা নাই।

অধ্যক্ষ মহোদয়, আন এটা কথা হৈছে সমাজবাদী চৰকাৰ হৈছে জন-সাধাৰণৰ উপকাৰৰ কাৰণে কিন্তু গৰীব জনসাধাৰণক বেছি সহায় কৰিব পৰা নাই। কিয়নো ইমানদিনে ধনীক শ্ৰেণী আৰু চাহ বাগানৰ মালিক সকলৰ পৰা চৰকাৰে টেক্স আদায় কৰিব পৰা নাই। বৰ্ত্তমান টেক্স বিভাগ, আইন বিভাগ আৰু আন আন বিভাগ আদি থকা স্বত্বেও গোটেই বিলাকে মিলি ধনীক শ্ৰেণীৰ পৰা আৰু চাহ বাগানৰ মালিক সকলৰ পৰা টেক্স আদায় কৰিব পৰা নাই।

অৱশ্যে এইটো ঠিক কথা যে তেওঁবিলাকে চৰকাৰক আজি ইমান বছৰে এটা পইচাও দিয়া নাই। ইয়াৰ কাৰণে আমাৰ চৰকাৰে কেইবাটাও মোকৰ্দ্দমা আদিও কৰিছে হাইকোৰ্ট আৰু চুপ্ৰিম কোৰ্ট কৰিছে যদিও কোনোটো কেচতে চৰকাৰ জিকা নাই অথচ কেচৰ কাৰণে ফীজ কোৰ্ট ফ্ৰীজ আৰু উকীলৰ কাৰণে দিয়া টকা আমাৰ চৰকাৰৰ পৰাই গৈছে। ১৯৫৪ চনতে আইন কৰিছে আৰু তেতিয়া ধনীক শ্ৰেণীয়ে এপিল কৰিলে আৰু ডিচমিচ হোৱাত আকৌ চুপ্ৰিম কোৰ্ট কৰিলে আৰু তাতো আলট্ৰাভায়াচ কৰিলে ১৯৬১ চনত। আকৌ আমাৰ চৰকাৰে ১৯৫৪ চনৰ আইনখন ৰিএপিল কৰিলে ১৯৬১ চনত।

কিন্তু কিয় ৰিপিল কৰিবলগীয়া হল ? আইনখন ১৯৬১ চনত হল যদিও তাৰকাৰণে কেইবাটাও কেচ হল আৰু আটাইকেইটাতেই অসম চৰকাৰ হাৰিছে। ১৯৬৫ চনত তিনিটা কেচ হৈছিল এই আইনখন আলট্ৰাভায়াৰ্চ ডিক্লায়াৰ কৰিছে আৰু তাৰ বিৰুদ্ধে এপিল দাখিল নকৰিলে। তাৰ পিচত আকৌ বহুত দিনৰ পিচত কেচ হল আৰু বৰ্ত্তমান চুপ্ৰিম কোৰ্টৰ বিচাৰাধীন হৈ আছে। আইন বিভাগে কয় উদ্ৰ কৰিবলৈ আৰু টেক্স বিভাগে কয় উদ্ৰ কৰিব নালাগে। আৰু এইবিলাক গোলমালতে চলি আছে। চৰকাৰে টকা পোৱা নাই এপইচাও। ব্যৱসায়ীয়ে বেপাৰ কৰিয়েই আছে। সোনাপুৰ চাহ বাগানৰ কাৰণে ৫৩ লাখ টকা অতি সোনকালে দি দিলে। ন বছৰ চৰকাৰে দখল কৰাৰ কাৰণে ৫৩ লাখ টকা দিছে

অথচ বাজেটৰ ২৯ পৃষ্ঠাত আছে যে অসম টি কৰপোৰেচন বুলি এটা অনুষ্ঠান খুলিছে যি অনুষ্ঠানে চাৰিখন চাহ বাগিচা কিনিছে ২২·০৫ লাখ টকাত। আনহাতে সোনাপুৰ বাগিচাত ভাৰা ন বছৰৰ খাজনাৰ বাবদ ৫৩ লাখ টকা দিছে। মাননীয় সদস্য সকলেই কৈছে চৈধ্যশ পোন্ধাৰ বিঘা মাটি সেইখিনিৰ কাৰণেই ইমান টকা দিছে। মই ডিচেম্বৰ মাহৰ অধিবেশনত ১৮৬ নং প্ৰশ্ন দি চৰকাৰক সুধিছিলো গুৱাহাটী চহৰৰ মাটিৰ বাবদ দিয়া টকাৰ কথা। ধনী আৰু প্ৰভাৱশালী লোকক মাটিৰ বাবদ টকা দিয়া হৈছে কিন্তু গৰীব জনসাধাৰণে ইয়াৰ কাৰণে পাবলগীয়া টকা পোৱা নাই। সমাজবাদী চৰকাৰ হলে সমাজবাদী হিচাবে সহায় কৰিব লাগে। কিন্তু গৰীব জনসাধাৰণক সহায় কৰিব পৰা নাই। দুৰ্নীতিৰ বিৰুদ্ধে অভিযোগ উঠিছে কিন্তু দুৰ্নীতি এনে এটা বস্তু যে ই থাকিবই। এ-আ-ডি-চি আৰু সোনাপুৰ সকলো ক্ষেত্ৰতে দুৰ্নীতি আছে। চাইনবোৰ্ড থাকে যদিও উদ্যোগ নাথাকে। মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে কয় যে কিয় এইটো কৰিব নোৱাৰে? অৱশ্যে এইটো ঠিক যে দুৰ্নীতি হলেও টকা খৰচ কৰিছে। কাম নহলেও কিছুমানে ভাল ভালকৈ খাইছে ভাল দামী গাড়ী কিনিছে আৰু কিছুমানে দুৰ্নীতিৰে ঘটা টকাৰে লৰা ছোৱালীক উচ্চশিক্ষা দিছে আৰু সেই লৰা ছোৱালীয়ে ভৱিষ্যতে এদিন আহি এই সদন শোভা কৰিবহি। আৰবান প্ৰপাৰ্টি এক্ট আদি কৰিছে যদিও মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে ৰাজহমন্ত্ৰীক উচ্ছেদ মন্ত্ৰী আখ্যা দিছে। আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য শ্ৰীৰাম শৰ্মাই উচ্ছেদৰ ক্ষেত্ৰত কৈছে যে উচ্ছেদ কৰিব লাগে কিন্তু বিৰোধী পক্ষৰেই সদস্য সকলে উচ্ছেদ কৰা কাৰণেই মন্ত্ৰী ডাঙৰীয়াক উচ্ছেদ মন্ত্ৰী আখ্যা দিছে। এতিয়া কি কৰিব চৰকাৰে? উচ্ছেদ কৰিলে দোষ আৰু উচ্ছেদ নকৰিলেও দোষ। অৱশ্যে উচ্ছেদ কৰা বা নকৰাটো ৰাজহ মন্ত্ৰীৰ দায়িত্ব তেখেতে জানে উচ্ছেদ কৰিব লাগে নে নালাগে।

অধ্যক্ষ মহোদয়, আজি গুৱাহাটী চহৰৰ পৰা অস্থায়ী ৰাজধানীলৈ আহোতে ৰাস্তাৰ কাষত দেখা যায় বহুতে বজাৰ আদি কৰি আছে। সেইবিলাক মাটি পি-ডব্লিউ-ডিক যদি নালাগে তেন্তে তেওঁবিলাকক চেটলমেণ্ট দি দিব লাগে।

(ভইচ : কোন ঠাইৰ কথা কৈছে)

গুৱাহাটী চহৰৰ পৰা অস্থায়ী ৰাজধনীলৈ আহোঁতে ৰাস্তাৰ কাষত গোৱা ঠাইৰ কথা। চাইন বোর্ড আদিও লগাইছে। ৰাজহুৱা বজাৰ পাতিবলৈ আৰম্ভ কৰিছে। যদি পি-ডব্লিউ-ডিৰ দৰকাৰ নাই তেনেহলে চেটলমেণ্ট দি দিব লাগে। আৰু যদি লাগে তেন্তে খেদাই দিব লাগে।

( ভইচ: তিনি মহলীয়া ঘৰ সজা গৰীৱ সকলৰ কথা কৈছে নেকি )

যদি উচ্ছেদ কৰিবলৈ যায় আমাৰ বিৰোধী দলৰ মাননীয় সদস্য সকলে ৰাজহ-মন্ত্ৰীক উচ্ছেদ মন্ত্ৰী বুলি আখ্যা দিব। গতিকে এইবিলাক কথালৈ চাব লাগে যাতে গৰীৱ জনসাধাৰণে সুবিধা পাব পাৰে। কেৱল কৈ থাকিলেই নহয় বাস্তৱত ৰূপায়িত কৰিবলৈও চেষ্টা কৰিব লাগে। এইখিনি কথা কৈয়েই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীক্ষীৰোদ শইকীয়া : অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীয়ে ১৯৭৪-৭৫ চনৰ কাৰণে যি বাজেট ডাঙি ধৰিছে তাত মোটামুটি হিচাবে প্ৰায় দুই কোটি টকা ঘাটি দেখুৱাইছে। অৱশ্যে কিছুমান বিষয়ত তেখেতে দুখ প্ৰকাশ নকৰাও নহয়। মই কিন্তু সংকিট হোৱা নাই। কাৰণ উন্নয়নমুখী দেশ এখনৰ যেতিয়া বাজেট যুগোত কৰা হয় তেতিয়া অৰ্থনৈতিক দিশৰ পৰা লক্ষ্য কৰাটো বৰ সহজ সাধ্য নহয়। এই বাজেটত অহা বছৰৰ কাৰণে কৃষিৰ শিতানত ২৮২ লক্ষ্য টকা ধৰা হৈছে। অৱশ্যে এই শিতানত আৰু বেচি ধৰা হলেহে মই সুখী হলোহেতেন। যিহেতু অসম এখন কৃষিপ্ৰধান দেশ। যিহেতুকে আমাৰ কৃষক সকলে বিভিন্ন কৃষি কৰিব লাগে সেইকাৰণে এই কৃষিৰ শিতানত বেচি টকা ধৰিব লাগিছিল। ১৯৭৩-৭৪ চনত ধান খেতি কৰি ২৪ লাখ টন পাইছিল। অহা বছৰতো প্ৰায় ২৫ লাখ টন পোৱা হব। ১৯৭৪-৭৫ চনত সৰ্চ যাতে স্থানীয় ভাৱে সংগ্ৰহ কৰিব পাৰে তাৰ কাৰণে বাজেটত অৰ্থৰ ব্যৱস্থা কৰিছে। ১৯৭৪-৭৫ চনত ২ লক্ষ্য একৰ মাটিত অধিক শস্য উৎপাদনৰ কাৰণে পানী যোগানৰ ব্যৱস্থা কৰা হব।

বৰ্তমান আমি দেখিবলৈ পাইছো গোটেই অসমতেই মিঠাতেলৰ দাম বাঢ়িছে। গুৱাহাটীত যদিও চাৰে ৭ টকাত পোৱা যায় কিন্তু উজনি অসমত লিটাৰত চাৰে ১২ টকা পৰ্য্যন্ত হৈছেগৈ। অৰ্থাৎ শতকৰা ৯৫ ভাগ বাঢ়িছে। এই বাজেটত আমি দেখিবলৈ পাইছো যে ১৯৭৩-৭৪ চনত প্ৰায় দুই লাখ হেক্টৰ মাটি উন্নত ধৰণৰ খেতি কৰি প্ৰায় এক লাখ টন শস্য উৎপাদন কৰা হৈছিল। ১৯৭৩-৭৫

চনত আঢ়ৈ লাখ হেক্টৰ মাটিত উন্নত খেতি কৰিব বুলি আমি আশা কৰিব পাৰো। জনসাধাৰণৰ সম্পূৰ্ণ চাহিদা পূৰণ নহলেও প্ৰায় তিনি ভাগৰ চাৰিভাগ পূৰাব বুলি আশা কৰা যায়। তাৰ উপৰিও আমি আজি একেবিধ খেতি কৰিলেই নহব, যিবিলাক 'পালচ জাতিয় খেতি, সেই খেতি কৰি ১৯৭৩।৭৪ চনত প্ৰায় ৫৭ হাজাৰ টন পোৱা গৈছে; ১৯৭৪।৭৫ চনত ৭৫ হাজাৰ হেক্টৰত ৯০ হাজাৰ টন পোৱা হব বুলি আমি আশা কৰিছিলো। বিশেষকৈ পালচ, জাতিয় খেতি অসমত কৰোতে এক একৰ মাটিত প্ৰায় ৩ টন পোৱা যায় অইন হাতেদি প্ৰতি হেক্টৰত ১২ টন পোৱা যায়, জাপানত ৮৫ টন পোৱা যাব, এই ক্ষেত্ৰত উৎপাদনৰ যিটো তাৰতম্য সেইটোৰ এটা সমতা ৰাখিব পাৰি আৰু তেনে এটা দৃষ্টি ভংগীৰেই চাব লাগিব যাতে এই অাঁচনিত আমি তেওঁলোকক কিছুমান সা-সুবিধা দিব পাৰো, ইয়াৰ দ্বাৰা আন নহলেও অন্তত ১২ টন উৎপাদন কৰিব পৰা যাব।

মৰাপটৰ ক্ষেত্ৰত আমি দেখিছোঁ আজি ১৯৭৩।৭৪ চনত অসমত উৎপাদন হৈছে প্ৰায় ১১ লাখ বেইল আৰু ১৯৭৪।৭৫ চনত প্ৰায় ১৩ লাখ বেইল উৎপাদন কৰিব পৰা হব বুলি আমি আশা কৰিছোঁ। আৰু এটা সুখৰ কথা হৈছে যে চৰকাৰে কেৱল এতিয়া ৩ খন জিলাতে মৰাপাটৰ উৎপাদন আবদ্ধ নাৰাখি অসমৰ প্ৰত্যেকখন জিলাতে মৰাপাটৰ উৎপাদন কৰাত মন দিছে আৰু সেইকাৰণে মই চৰকাৰৰ শলাগ লৈছোঁ। আমি দেখিছোঁ গুড়ৰ দাম দিনক দিনে বাঢ়ি গৈছে যোৱাবাৰ ৰাজ্যপালৰ ভাষনত কৈছিল যে শতকৰা ১২০ ভাগ বাঢ়িছে প্ৰায় ৮০ ভাগ বাঢ়িছে অথচ আমাৰ ৰাজ্যত চেনিকল আছে, যোৱা বছৰেই ৩৪ হেজাৰ হেক্টৰ মাটিত কুহিয়াৰৰ খেতি কৰা হৈছিল, আৰু ১৯৭৪।৭৫ চনত ৪০ হাজাৰ হেক্টৰ মাটিত খেতি কৰি ১৫ লাখ টন পোৱাৰ আশা কৰা হৈছে।

অধ্যক্ষ মহোদয়, চৰকাৰে বিশেষকৈ এটা কথাৰ ওপৰত গুৰুত্ব দিয়াৰ কথা আছিল সেইটো হৈছে মাটিৰ সুব্যৱস্থা কৰা সেই ক্ষেত্ৰত কেৱল নগাও জিলাতে চাৰে চয় লাখ টকা ধাৰ্য্য কৰা হৈছে আৰু ১৯৭৪।৭৫ চনত মাটিৰ সুব্যৱস্থা কৰাৰ কাৰণে ১৩ লাখ টকা ধাৰ্য্য কৰা হৈছে, কিন্তু সেই মাটিৰ সুব্যৱস্থা কৰাৰ ক্ষেত্ৰত যিখন ছবি পৰিষ্কাৰ ভাবে ডাঙি ধৰিব লাগিছিল সেই ছবি পৰিষ্কাৰ হোৱা নাই সেইকাৰণে ৰাইজ হতাশ হৈ পৰিছে। এই সম্পৰ্কত মই ইংৰাজ কবি 'কিটচ'ৰ এফাকী কবিতালৈ মনত পৰিছে, এনে এটা অৱস্থাৰ কাৰণে

ৰাইজ আজি হতাশ হৈ পৰিছে হৈ পৰিছে আৰু হায়ৰাণ হৈ গৈছে। তাৰ পিছত দেখা গৈছে যিমতে আজি মাটিৰ সুব্যৱস্থা কৰি আমাৰ খেতি পথাৰত যি ধৰণেৰে পানী যোগান ধৰাৰ কাৰণে চেষ্টা কৰিব লাগিছিল সেইদৰে কৰিব পৰা নাই। সেইদৰে আমাৰ গাৱলীয়া অঞ্চলবোৰতো বৈদ্যুতিকৰণ কৰাত বহু দূৰ পিচ পৰি গৈছে, ১৯৭২।৭৩ চনত মাত্ৰ ৬৮১ খন গাৱতহে। ৪ৰ্থ পৰিকল্পনাত আশা কৰিছিলো ৬১৪ খন গাৱত অথচ অসমত গাও আছে ২৬ হাজাৰ গাও আছে। এই ধৰণে যদি আগবাঢ়ে অসমৰ আটাইবিলাক গাৱতে বিজুলী সৰবৰাহ কৰাত যিটো আঁচনি তাত কিমানখিনি ফলবৰ্ত্তি হব সেইটো সহজে অনুমান কৰিব পাৰি। ইয়াত সকলোৰে সন্দেহ হয়। উদাহৰণস্বৰূপে নামৰূপতেই ৰাইজ সৰ্ব্বস্বান্ত হবলগীয়া হৈছে, যিবিলাক গাওৰ মানুহে বিজুলীৰ কাৰণে আশাপালি আছে সেইবিলাক গাওক এতিয়ালৈকে বৈদ্যুতিকৰণৰ কোনো সুবিধা কৰিব নোৱাৰিলে। গতিকে গাৱলীয়া মানুহৰ আশা আকাংশা পূৰণ কৰিব পৰাকৈ চৰকাৰৰ বৈদ্যুতিকৰণৰ আঁচনিবোৰ যাতে বাস্তৱত ৰূপ দিব পাৰে তাৰ কাৰণে অনুৰোধ কৰিলো।

উপাধ্যক্ষ মহোদয়, মোৰ মনত এটা খু-দুৰনি ভাবে খেলাইছে, আমি আশা কৰিছিলো বাজেট বক্তৃতাত বিত্তমন্ত্ৰী মহোদয়ে পৰিষ্কাৰ ভাবে ডাঙি ধৰিব নিবনুৱা সমস্যাৰ বিষয়টো, কিন্তু সেই বিষয়ে পৰিষ্কাৰ ভাবে জনা নগল, অসমত প্ৰায় ২০ লাখ নিবনুৱা আছে এই সকলো নিবনুৱাকে ২।৪ টা উদ্যোগ গঢ়ি তাত তেওঁলোকক নিযুক্তি দিব পৰা যে হব তাত আমাৰ সকলোৰে সন্দেহ হয়। এই বিষয়টো আমাৰ সকলোৰে এটা চিন্তাৰ বিষয় হৈ পৰিছে। আমাৰ এই গাৱলীয়া বা নিবনুৱা ডেকা সকলক কেনে ধৰণে উৎপাদন মুখী কৰিব পৰা যায় সেই বিষয়ে সুচিন্তিত ভাবে কোনো আঁচনি লবপৰা হোৱা নাই যদিও সেই বিষয়ে কিছুমান আঁচনি কৰিব লাগিব। ইয়াৰ দ্বাৰা নিবনুৱা সমস্যা কিছু দূৰ হলেও আংশিক ভাবে হলেও সমাধান হব। লগে লগে অসমৰ ৰাইজে আৰ্থিক দিশত আগবাঢ়ি যাব পাৰিব। বিশেষকৈ উদ্যোগ বিকাশৰ ক্ষেত্ৰত চৰকাৰে কিবা কৰিছে বুলি দাবি কৰিছে যদিও আমি দেখিছোঁ বৰ্তমান উদ্যোগৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ উদ্যোগ মানচিত্ৰত অসমৰ অৱস্থা অতি শোচনীয়, প্ৰায় শতকৰা ১'৭০ ভাগ মাত্ৰ। উৰিষ্যাত ১৩'৫ ভাগ, পশ্চিমবঙ্গত-১৭'৩ ভাগ আৰু মহাৰাষ্টত ১৭'৪ ভাগ

আৰু বিহাৰত—১৪'৫ ভাগ, আজি উৰিষ্যাও অসমতকৈ আগবঢ়া অথচ যি উৰিষ্যাত যোৱা ৫ বছৰৰ আগতে অসমতকৈ পিছপৰা আছিল, সেই উৰিষ্যাই আজি অতি কম সময়ৰ ভিতৰতেই বহুখিনি আগবাঢ়ি আহিল, আনহাতেদি অসম এই ক্ষেত্ৰত স্থবিৰ হৈ পৰি আছে। এনেবিলাক বিসংগতি দেখি আজি আমাৰ জনসাধাৰণ হতাশ নহৈ কি হব পাৰে ? ৰাইজ হতাশ হৈ পৰিছে।

এটা কথা মনত পৰিছে, যোৱা বাজেটত কৈছিল, এইবাৰো বাজেটত দিছে, তাত অসম গেচ কোম্পানীৰ কথা লিখিছে, এই অসম গেচ কোম্পানীলৈ পাইপ লাইন সংযোগৰ ব্যৱস্থা কৰা হৈছে আৰু এইটো এতিয়া সমাপ্ত প্ৰায়। এতিয়ালৈকে এই পাইপ লাইনেৰে ৭ হাজাৰ ৭শ ৪২ নিযুত ঘন মিটাৰ গেচৰ ভিতৰত ২১৮৮ ঘন মিটাৰ উদ্যোগত লগাইছে আৰু অবাবত হৈছে ৪৭২৭ ঘন মিটাৰ আজি যি সময়ত পৃথিৱীৰ সকলো প্ৰান্তৰতে এই খাৰুৱা তেল বা গেচৰ অত্যাৱশ্যকীয় সামগ্ৰীহৈ পৰিছে আজি সেই সময়ত এই প্ৰাকৃতিক গেচৰ হাজাৰ হাজাৰ ঘন মিটাৰ অবাবতে পুৰি নষ্ট হৈছে। আজি পৃথিৱীৰ বিভিন্ন দেশত গেচ ব্যৱহাৰ কৰা মানুহৰ সংখ্যা বাঢ়িছে। অথচ আমাৰ সন্মুখত হেজাৰ হেজাৰ ঘনমিটাৰ গেচ অবাবত নষ্ট হৈছে। এই নষ্ট হোৱা গেচবোৰ যদি কামত লগোৱা হয় তেন্তে আমি আশা কৰো আমাৰ ঘাটি কিছুপৰিমানে পূৰণ হব। খাৰুৱা তেলৰ সম্পৰ্কে আমাৰ অনেক বন্ধু সদস্যই কৈ গৈছে। ১৯৭৩ চনৰ ৩১ ডিচেম্বৰলৈ আমি হিচাব কৰি পেলাইছো যে আমাৰ উৎপাদন হৈছিল ২৯ নিযুত মেট্ৰিক টন। বিক্ৰী হৈছে প্ৰায় ২৮ নিযুত মেট্ৰিক টন, আমাৰ লাভ হল মাত্ৰ শতকৰা ১৩ ভাগহে। শতকৰা ১৩ ভাগতকৈ বেছি যেন আমাৰ হব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ মই আমাৰ বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

শিক্ষা মন্ত্ৰী মহোদয়ক মই ওলগনি জনাইছো এই কাৰণেই যে কম-বেছি পৰিমাণে আমাৰ দেশত শিক্ষাৰ এটা নতুন দিশ সুচনা হল আৰু শিক্ষাৰ পদ্ধতি আধুনীক কৰা হল। প্ৰায় পাঁচ হেজাৰ বৃত্তিধাৰী শিক্ষকক নিযুক্তি দিয়া হৈছে। এই ব্যৱস্থাই আমাৰ নিবনুৱা সমস্যা কিছুপৰিমাণে কমাব বুলি আমাৰ ধাৰণা হৈছে। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই দাঙি ধৰা বাজেটখনত কম বেছি পৰিমানে ক্ৰুটী থাকিলেও মই আশা ৰাখিছো আমাৰ ৰাইজে এইখনক আদৰণি আৰু ওলগনি জনাব। মোৰ ভালেকেইজন বন্ধু সদস্যই বিশেষকৈ ভট্টাচাৰ্য্য ডাঙৰীয়াই বিত্তমন্ত্ৰী

ডাঙৰীয়াই ষষ্ঠ আয়োগৰ গুণানুকুৰ্ত্তন কৰাৰ কথা কৈছে। ষষ্ঠ বৃত্ত আয়োগে প্ৰায় ৪৬৩ কোটি টকা অনাৰ হিচাব এটা দিছে। সেইবাবে আমি ষষ্ঠ আয়োগৰ গুণানুকুৰ্ত্তন কৰা উচিত হব। যদিও বাজেটখনত বিত্তমন্ত্ৰী ডাঙৰীয়াই নতুন কৰ লগোৱা নাই তথাপি ভৱিষ্যতে লগোৱাৰ ইঙ্গিত দিছে। বন্ধু খাউণ্ড ডাঙৰীয়াই কোৱাৰ দৰেই ময়ো কওঁ যে আমোদ কৰৰ দ্বাৰাই আমাৰ ঘাটি কিছুপৰিমাণে পূৰণ কৰা হব পাৰে।

এইখিনিকে কৈ মই বিত্তমন্ত্ৰী তথা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখন ঘাটি বাজেট উৎথাপন কৰিলে মই সেইখনক সমৰ্থন জনাইছো আৰু আশা কৰো আমাৰ ৰাইজেও সেইখনক আদৰণি জনাব।

( Mr. Speaker vacated the chair at 3.3.p,m. and Mr. Deputy Speaker occupied the Chair ).

শ্ৰীৰবীন্দ্ৰ কুমাৰ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, এইবাৰো মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে এখন ঘাটি বাজেট দাখিল কৰিলে। অসমত প্ৰত্যেক বছৰে হোৱা ঘাটি বাজেটে ৰাজ্যখনৰ আৰ্থিক দুৰৱস্থাৰ কথাকে সূচায়।

অসমৰ বাজেটত ঘাটিৰ পৰিমাণ আছিল——

| | |
|---|---|
| ১৯৬০ ৬১ চনত | ১০ কোটি ৯৪ লাখ টকা |
| ১৯৬৫-৬৬ চনত | ১ কোটি ৬৫ লাখ |
| ১৯৬৭-৬৮ চনত | ১ কোটি ৬১ লাখ |
| ৬৮-৬৯ চনত | ১৮ কোটি ১৭ লাখ |
| ৬৯-৭০ চনত | ৭ কোটি ৭৭ লাখ ১৬ হেজাৰ |
| ৭০-৭১ চনত | ৩৯ কোটি ২ লাখ ৮৫ হেজাৰ |
| ৭১-৭২ চনত | ৩১ কোটি ৬ লাখ ৬৭ হেজাৰ |
| ৭২-৭৩ চনত | ৪ কোটি ১২ লাখ ১ হেজাৰ |
| ৭৩-৭৪ চনত ৪ কোটি | ৯৯ লাখ ৭৮ হেজাৰ ( সংশোধিত হিচাব অনুসৰি ) |
| ৭৪-৭৫ চনত | ৯১ লাখ ৩৭ হেজাৰ টকা |

দুখৰ বিষয় বছৰি বছৰি ঘাটি হোৱা স্বত্বেও ঘাটি পুৰাবৰ বাবে এতিয়াও

কোনো ব্যৱস্থা লোৱা হোৱা নাই। বছৰে বছৰে আয়-ব্যয়ৰ ভাৰসাম্যহীনতা বাঢ়ি গৈছে আৰু এই ভাৰসাম্যহীনতাই সমস্ত বিত্তীয় পৰিস্থিতিত এক অসুস্থ অৱস্থাৰ সৃষ্টি কৰিছে। যোৱা ২৩ বছৰত অসম চৰকাৰৰ আয় প্ৰায় ১২ গুণ বৃদ্ধি পাইছে কিন্তু ব্যয় বৃদ্ধি পাইছে ১৩ গুণ। ৰাজ্যিক পৰিসংখ্যা বিভাগৰ সমীক্ষাত প্ৰকাশ যে ৰাজহৰ সৰ্বমুঠ আয় ১৯৫০–৫১ চনৰ ১৯.৬ কোটি টকাৰ পৰা ১৯৭২-৭৩ চনত ২৬১.৭ কোটি টকালৈ বৃদ্ধি পাইছে। কিন্তু ব্যয়ো ১৮.৯ কোটি টকাৰ পৰা ২৭৫ কোটি টকালৈ বাঢ়িছে ১৯৫০-৫১ চনৰ পৰা ১৯৭২-৭৩ চনলৈকে কৰ-কাটলৰ বাবদ পোৱা ৰাজহৰ অংশ হ্ৰাস পাইছে এই হ্ৰাসৰ নিৰিখ শতকৰা ৫১.১ ভাগৰ পৰা ৩১.২ ভাগ হৈছেগৈ। যিহেতু ৰাজ্যিক চৰকাৰৰ ঘাটি পূৰাবৰ অৱস্থা অতি সীমিত সেইকাৰণে এইদৰে বছৰি বছৰি ঘাটি হৈ থাকিবলৈ দিলে ঘাটিয়ে ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি ক্ৰমে দুৰ্বল কৰি তুলিব।

এনে ঘাটি মাৰিবলৈ হয় নতুন কৰকাটল লগাব লাগিব নহলে ঋণ লব লাগিব। আকৌ এই ঋণ সুদ সহ পৰিশোধ কৰিব লাগিব। প্ৰশাসনীয় সেৱা বা সামাজিক সেৱাৰ কাৰণে যদি ঋণ লৈ অৰ্থ ব্যৱসায় কৰা হয় তেন্তে এই ব্যয়ৰ পৰা হয়তো সেৱা সুবিধা বিস্তৃত হব পাৰে কিন্তু উৎপাদন কাৰ্য্যত ব্যৱহাৰ নকৰাৰ কাৰণে ইয়াৰপৰা কোনো আৰ্থিক প্ৰতিদান পোৱা নাযায়। আজি অসমৰ অৱস্থাও এইটোৱেই। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ কৰোতে ৰাজ্য চৰকাৰৰ ধাৰ আছিল ২.৮ কোটি টকা। ১৯৭৩ চনৰ এক এপ্ৰিলত আছিল ৪২১.৬৪ কোটি টকা। ইয়াৰ ভিতৰত কেন্দ্ৰীয় ঋণৰ পৰিমাণেই হল ২৭৯.১৫ কোটি টকা। ১৯৭২-৭৩ চনত কেৱল কেন্দ্ৰীয় চৰকাৰে দিবলগা হোৱা অকল সুদৰ পৰিমাণ আছিল ১৪.৬৯ কোটি টকা। ইয়াৰ ফলত ৰাজ্যখনৰ অৰ্থনীতি ক্ৰমে দুৰ্বল হৈ পৰিছে। অৱশ্যে ৬ষ্ঠ বিত্তীয় আয়োগৰ অনুমোদনৰ ফলস্বৰূপে কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণৰ শিতানত চলিত বছৰটোত পৰিশোধ কৰিব লগা ৩৩.৪৭ কোটি টকা ঠাইত ১৯৭৪-৭৫ চনত কেৱল ৯.৪১ কোটি টকাহে পৰিশোধ কৰিব লাগিব। কিন্তু ইয়াতে আত্ম প্ৰসাদ লাভ কৰি আমি নিষ্ক্ৰিয় হৈ বহি থাকিলে নহব, ৰেহাইৰ সুযোগ গ্ৰহণ কৰি ৰাজ্যখনৰ ঋণৰ বোজা যাতে ভৱিষ্যতে বৃদ্ধি হব নোৱাৰে তাৰ কাৰণে সুদৃঢ় ব্যৱস্থা গ্ৰহণ কৰা উচিত, লগতে আগৰ ঋণবোৰ নিঃশেষ কৰিবলৈও কাৰ্য্যকৰী ব্যৱস্থা লোৱা উচিত।

১৯৭৩ চনৰ বছৰটোতে নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ সামগ্ৰীক মূল্য ১৯৭২ চনতকৈ দুগুণ হাৰত বৃদ্ধি হল। ১৯৭৪ চনৰ জানুৱাৰী ফেব্ৰুৱাৰী মাহৰ মূল্য বৃদ্ধিৰ গতিৰ পৰা এইটো কব পাৰি যে এই বছৰটোও এটা দুৰ্যোগৰ বছৰ হব। ক্ৰমবৰ্দ্ধমান মূল্যই এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰাৰ উপৰিও সমগ্ৰ বিত্তীয় গাঠনিটোকে বিকল কৰি দিয়াৰ আশংকা আছে। অধ্যক্ষ মহোদয়, ১৯৭৩ চনৰ বছৰটোত নিত্য-প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য ১৯৭২ চনৰ তুলনাত দুগুণ হাৰত বৃদ্ধি হল। ১৯৭৪ চনৰ জানুৱাৰী মাহৰ মূল্য বৃদ্ধিৰ গতিৰ পৰা এইটোকে কব পাৰি যে এই বছৰটোও এটা দুৰ্য্যোগৰ বছৰত পৰিণত হব।

ক্ৰমবৰ্দ্ধমান মূল্যই এক জটিল পৰিস্থিতি সৃষ্টি কৰাৰ উপৰিও সমগ্ৰ বিত্তীয় গাঠনিলৈকে বিনাশ কৰি দিয়া আশংকা আছে। অসমত পাইকাৰী দামৰ সূচক সংখ্যা ১৯৫৩ চনত ১০০, ১৯৫৪ চনত ১০৩.৮ ভাগ, ১৯৭১ চনত ২৫৩.৬ ভাগ, ১৯৭২ চনত ২৬৩.৭ ভাগ আৰু ১৯৭৩ চনত ২৭৩ ভাগ বৃদ্ধি হৈছে। এই তালিকাৰ পৰা দেখা যায় যে অসমত পাইকাৰী দামৰ সাধাৰণ সূচক সংখ্যা ১৯৫৩ চনৰ তুলনাত ১৯৭৩ চনত শতকৰা ১৭৬ ভাগ বৃদ্ধি পাইছে। যিহেতু গ্ৰাহকে খুচুৰা দামতহে বস্তু কিনে সেইকাৰণে কেৱল পাইকাৰী দামৰ সূচক সংখ্যাৰ পৰা সঠিক দাম নিভুল ভাবে কব নোৱাৰি। তাৰোপৰি অসমত অন্য ৰাজ্যবিলাকৰ তুলনাত খুচুৰা পাইকাৰীৰ মাজত যিটো ব্যৱধান—সেইটো অধিক বেছি। ইয়াৰপৰা এই সিদ্ধান্তত আহিব পাৰি যোৱা ২০ বছৰৰ ভিতৰত অসমত বস্তুৰ প্ৰকৃত মূল্য ২৫০ শতাংশ বৃদ্ধি পাইছে। ১৯৪৯ চনৰ বছৰটোত ১০০ ৰ ভিত্তিত ১৯৭২ চনৰ ডিচেম্বৰ মাহত অসমৰ শ্ৰমিক শ্ৰেণীৰ গ্ৰাহক মূল্য-সূচক সংখ্যা আছিল ২৬১। ১৯৭০ চনৰ ডিচেম্বৰ মাহত হব ৩০৮-অৰ্থাৎ এটা বছৰৰ ভিতৰতে জীৱন নিৰ্ব্বাহৰ ব্যয় শতকৰা ১৭.৪ ভাগ বৃদ্ধি পাইছে। এটা হিচাবৰ পৰা দেখা গৈছে যে ভাৰতত খাদ্যবস্তুৰ কাৰণে মধ্যবৃত্ত শ্ৰেণীৰ এটা পৰিয়ালে মুঠ উপাৰ্জনৰ শতকৰা ৪৫ ভাগ খৰছ কৰে। শ্ৰমিক শ্ৰেণীৰ পৰিয়ালে মুঠ উপাৰ্জনৰ খাদ্যবস্তুৰ কাৰণে শতকৰা ৬০ ভাগ খৰছ কৰে। দুখীয়া শ্ৰেণীৰ মানুহে শতকৰা ৮০ ভাগৰ পৰা ৯০ ভাগলৈকে খৰছ কৰে। যিহেতু দেশৰ বৃহত্তম সংখ্যক মানুহৰ কাৰণে খাদ্যই হল মূল আৰু প্ৰধান সমস্যা। সেইকাৰণে খাদ্যৰ মূল্যবান সুস্থিৰে কৰি ৰাখি তাৰ জনসাধাৰণৰ আৰ্থিক সমৰ্থ্যই চুকি পোৱাকৈ ৰখাটো হল চৰকাৰৰ প্ৰধান কৰ্ত্তব্য।

অধ্যক্ষ মহোদয়, অসমৰ জনমূৰী আয় বৃদ্ধিৰ পৰিমান একেই আছে। স্থিৰ মূল্যৰ হিচাপত ১৯৪৮-৪৯ চনৰ অসমৰ জনমূৰী আয় আছিল ২৬৭.৭ পইচা আৰু ১৯৭০-৭১ চনত আছিল ২৬৭ টকা অৰ্থাৎ জনমূৰী আয় অলপো বঢ়া নাই। ১৯৭১-৭২ চনৰ স্থিৰ মূল্যৰ জনমূৰী আয় ২৭১.৪ পইচা ১৯৪৮-৪৯ চনৰ স্থিৰ মূল্যমানৰ হিচাপত আমি এটা কথা পৰ্য্যালোচনা কৰিলে দেখা পাওঁ যে অসমত জনমূৰী আয় ১৯৫১-৫২,৫৩-৫৪,৫৬-৫৭,৬২-৬৩,৬৫-৬৬, আৰু ১৯৬৯-৭০ চনত স্থিৰ মূল্যমান অসমত জনমূৰী আয় কমহে হৈছে। ১৯৫১-৫৪ চনৰ পৰা ১৯৬৯-৭২ চনৰ ভিতৰত সৰ্ব্বভাৰতীয় জনমূৰী আয় বৃদ্ধিৰ শতকৰা হাৰ হব ১০০.৩ আৰু অসমত হল শতকৰা ০.৩ ভাগ। ১৯৭২ চনত চলিত মূল্যমানত সৰ্ব্বভাৰতীয় জনমূৰী আয় ৬৩৩ টকা অসমত হল মাত্ৰ ৪২২ টকা। প্ৰয়োগ অৰ্থনীতি গবেষণা জাতীয় পৰিষদে কৰা সমীক্ষা অনুসৰি দেখা গল যে গাওঁ অঞ্চলত পৰিয়াল সমুহৰ ওপৰত ১০ শতাংশ আয়ৰ শতকৰা ৩৩.৪ শতাংশ পায়, কিন্তু তলৰ ১০ শতাংশই পায় কেৱল মাত্ৰ ০.৭ শতাংশ নগৰত ওপৰৰ ১০ শতাংশ আয়ৰ ৪২.৪ শতাংশ পায়। আৰু তলৰ ১০ শতাংশই পায় ১.৩ শতাংশ। ইয়াৰ পৰাই বুজিব পাৰিছো দেশত কিমান আকাশলঙ্ঘী অৰ্থনৈতিক বৈষম্যই বিৰাজ কৰিছে।

ভাৰতীয় চিকিৎসা গবেষণা পৰিষদে নিৰ্দ্দিষ্ট কৰি দিয়া সৰ্ব্বনিম্ন প্ৰয়োজনীয় কেলৰীৰ পৰিমাণ হল পুৰুষৰ ক্ষেত্ৰত দিনে ২৪ শৰ পৰা ৩৯ শ কেলৰীৰ ভিতৰত। আৰু নাৰীৰ ক্ষেত্ৰত ২ হেজাৰ কেলৰীৰ পৰা ২৭ শ কেলৰীৰ ভিতৰত। ১৯৭২ চনৰ কলিকতাত চলোৱা এটা সমীক্ষামতে প্ৰয়োজনীয় এই কেলৰীখিনি সংগ্ৰহ কৰিবলৈ মাহে ১৭৫ টকা লাগে। কিন্তু অধ্যক্ষ মহোদয়, আপুনি জানে যে অসমত গাওঁ অঞ্চলৰ শতকৰা ৮২ ভাগ লোকৰহে মাহে জনমূৰী ভোগৰ খৰছ হল ২৮ টকাৰ পৰা ৫৫ টকাৰ ভিতৰত। আৰ্থিক দুৰ্গতিৰ ফলত বৰ্ত্তমান এই ভোগৰ খৰছ আৰু কমিছে। আনহাতেদি খাদ্যৰ দাম শতকৰা ৬১.৮ ভাগ বৃদ্ধি হল। গতিকে এই কথাটোৱে এইটোকে প্ৰমাণ কৰে যে অসমৰ মুঠ জনসংখ্যাৰ ৯০ ভাগ লোকে কেলৰী অভাৱজনিত ৰোগ বা কুণ্ঠাহীনতাৰ পৰা ভুগিছে। এনেকুৱা ধৰণে এইখিনি মানুহৰ ওপৰত আমাৰ অৰ্থনৈতিক বিকাশ নিৰ্ভৰ কৰিছে। এনে এটা অৱস্থাত এইসকল পুষ্টিহীন, বলহীন লোকহে বেছি

শাৰীৰিক পৰিশ্ৰম কৰি কেনেকৈ উৎপাদন বৃদ্ধি কৰিব ? এইটো কথাৰ প্ৰতি চৰকাৰৰ গভীৰ মনোযোগ আকৰ্ষণ কৰিলো ।

অসমৰ অৰ্থনীতি অতি দূৰ্ব্বল । অঞ্চলটোত প্ৰধান ভিত্তি হৈছে কৃষি কিন্তু যোৱা দুই দশকত পাঁচ বছৰীয়া পৰিকল্পনাৰ দ্বাৰা অসমত কৃষিৰ ক্ষেত্ৰত ৰাজ্যখনত বৃদ্ধিৰ পৰিমান উন্নত কৰিব পৰা নগল । লোকসংখ্যা বছৰি শতকৰা ৩·১ ভাগ হিচাবে বাঢ়িল, কিন্তু কৃষিৰ ক্ষেত্ৰত বৃদ্ধিৰ হাৰ হল ০·৩ ভাগ । ফলত অসমৰ প্ৰায় ১০৭ লাখ লোক মুঠ জনসংখ্যাৰ ৭৭ শতাংশ লোক দৰিদ্ৰ সীমা-ৰেখাৰ তলত থাকিব লগা হল । ১৯৫৬-৫৭ চনক ভিত্তি বছৰ ধৰি ১৯৭০-৭১ চনত কৃষি উৎপাদনৰ সূচক সংখ্যা আছিল ১২৬ । তাৰ বিপৰীত সৰ্ব্বভাৰতীয় সূচক সংখ্যা আছিল ১৪৭ । অসমত কৃষি উৎপাদন একেবাৰে কম । যোৱা কুৰি বছৰত অসমত গড় হিচাপে শতকৰা ০·৬৭ ভাগ খেতিৰ উৎপাদন বাঢ়িছে । সমগ্ৰ ভাৰতৰ বাবে এই সংখ্যা শতকৰা ২·৪ ভাগ । ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত অসমত জনমূৰী কৃষি স্পাদিকা ৩২ শতাংশ হ্ৰাস পাইছে । অসমত প্ৰায় ২ নিযুত হেক্টৰ খেতিৰ মাটিত মাথোন শতকৰা ২ ভাগতহে জলসিঞ্চনৰ ব্যৱস্থা আছে । ১৯৬১ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত লোক পিয়লৰ হিচাবমতে অসমৰ গাওঁ অঞ্চলত নিবনুৱা-বনুৱাৰ সংখ্যা ৩ গুণ বৃদ্ধি পাইছে । আৰু প্ৰকৃত খেতিয়কৰ শতকৰা ৩০ জন ভূমিহীন হৈ দাৰিদ্ৰৰ বোজা বহন কৰি আছে । শতকৰা মাত্ৰ ২৫ ভাগ লোকৰ হাতত যাৰ মাটি ১৫ বিঘা হব বা মাটিৰ শতকৰা ৭১ ভাগ যাৰ হাতত আছে এনেকুৱা অৱস্থাত ভূমিসংস্কাৰ নকৰাকৈ কেৱল মাথোন বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰিয়েই আমি কৃষিৰ সংকট দূৰ কৰিব নোৱাৰো । কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ হলে চাৰিটা বস্তু—মাটি, পুজি, যন্ত্ৰ আৰু শ্ৰমৰ প্ৰয়োজন । ইয়াৰ ভিতৰত পুজিৰ অৱস্থা তেনেই দূৰ্ব্বল । কৃষিৰ যান্ত্ৰিক বিকাশত যি শিল্পগত ভিত্তি-সেই শিল্পগত ভিত্তি আজি অসমত গঢ়ি উঠা নাই । মাটিৰ পৰিমানো ইচ্ছামতে বৃদ্ধি কৰিব নোৱাৰি । আনহাতে মাটিৰ গুণাগুণ সলনি কৰিবৰ কাৰণে যথেষ্ট পুজিৰ প্ৰয়োজন । এনে অৱস্থাত কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ হলে শ্ৰম শক্তিৰ যথাযথ আৰু পূৰ্ণ ব্যৱহাৰ কৰাৰ বাহিৰে আন কোনো উপায় নাই । কিন্তু দুখৰ কথা এই শ্ৰম শক্তিয়েই বৰ্ত্তমান আটাইতকৈ বেছি অৱহেলিত হৈ আছে

আৰু এটা কথা—অকল অসমতেই নহয় সমগ্ৰ পূৰ্ব্বাঞ্চল ৰাজ্যত কৃষিৰ উচ্চ গবেষণাৰ কাৰণে কোনো কৃষি কেন্দ্ৰ নাই।

ৰাজ্যপাল শ্ৰীএল, পি, সিংহই লিখিছে—Out of the 23 Central Research the Soil conservation Research centres that Institute and ICAR has established in different parts of the country not one has so far been located in this region.

অৰ্থনৈতিক উন্নয়নৰ কাৰণে মুলধন আৰু শ্ৰমৰ উপৰিও আধুনিক প্ৰযুক্তি বিদ্যা অপৰিহাৰ্য্য। সেই উদ্দেশ্য খড়্গপুৰ আদি ঠাইত থকাৰ নিচিনাকৈ ইনদিয়ান ইনচটিটিউট অফ চাইন্স এণ্ড টেকনলজি অথাৎ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ এটা উচ্চ শিক্ষা কেন্দ্ৰ অসমত এতিয়াই স্থাপন কৰা উচিত এই ক্ষেত্ৰত উচ্চ গবেষণা কেন্দ্ৰ অসমত স্থাপন কৰিবলৈ দাবী জনাও। কাৰণ অসম প্ৰাকৃতিক সম্পদৰ এক অক্ষয় ভাণ্ডাৰ। সেই ভাণ্ডাৰৰ সদব্যৱহাৰ কৰিবৰ বাবে অসমত স্থানীয় ভাবে প্ৰযুক্তি বিদ্যা গঢ়ি তুলিবই লাগিব।

প্ৰাকৃতিক গেচ :—

উজনি অসমৰ তেল পথাৰত থকা ৭৯,০০০ নিযুত কিউবিক ফিট প্ৰাকৃতিক গেছৰ এতিয়ালৈকে সামান্যতম অংশহে ব্যৱহাৰ কৰা হৈছে। ইয়াক ব্যৱহাৰ নকৰাটো উচিত হোৱা নাই।

বনজ সম্পদ :—

অসম বনজ সম্পদতো অতি চহকী। অনুমানিক হিচাবমতে অসমত বাহৰ পৰিমান দ্ৰাই ওৱেট অথাৎ শুকান ওজন মতে ১৪ লক্ষ টন হব। ই দেশৰ ভিতৰতে সৰ্বাধিক। অসমত বাহৰ উৎপাদন বছৰি ৪ লক্ষ ৬৩ হেজাৰ টনলৈ বৃদ্ধি কৰিব পাৰি। যিটো পৰিমান ৩ টা বৃহৎ আকাৰৰ পাল্পপ আৰু ৰেয়ন গ্ৰেড কমপ্লেকস চলাবৰ কাৰণে যথেষ্ট। ১৯৬০ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৭১ চনৰ মাৰ্চ মাহৰ মাজত কেন্দ্ৰীয় চৰকাৰে দান কৰা মুঠ ৭৮৩ খন উদ্যোগীক অনুজ্ঞাপত্ৰৰ ভিতৰত কেৱল ৪ খনহে অসমৰ ভাগত পৰিছিল। এই বিষয়টো ইনদ্ৰাষ্টিয়েল লাইচেনচিং সম্পৰ্কত গঠিত দত্ত কমিটিয়ে·········বুলি কৈ চোকা সমালোচনা কৰিছে। চৰকাৰী খণ্ডত যিবিলাক উদ্যোগ স্থাপন কৰিব খোজা

হৈছে সেইবিলাকৰ প্ৰজেক্ট ৰিপট সম্পূৰ্ণ আৰু নিখুত হব লাগে। প্ৰতিষ্ঠান বিলাক আৰম্ভ কৰাটো পাৰম্ভিক পৰ্য্যায়ত যাতে অতিৰিক্ত সময় খৰছ নহয়, অযথা ধিলম্ব নহয় তাৰ বাবে সতৰ্ক দৃষ্টি ৰখা উচিত। নহলে আচনি বিলাকৰ কেপিটাল কচ্‌ত বা মূলধনী খৰছ বাঢ়ি যায় আৰু লাভৰ আশাও কমে। উদাহৰণ স্বৰূপে নামৰূপ পেট্ৰকেমিকেল কমপ্লেক্সলৈ আঙুলিয়াই দিব পাৰি।

প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা—

অসমৰ প্ৰথম পৰিকল্পনাখন সকলো দিশৰ পৰাই গুৰুত্বপূৰ্ণ আছিল। অসমৰ অৰ্থনীতিৰ এখন স্পষ্ট ছবি ডাঙি ধৰি, ভাৰতৰ অৰ্থনৈতিক প্ৰগতিৰ লগত তাক তুলনা কৰি অসমে যাতে বিভিন্ন ক্ষেত্ৰত সৰ্বভাৰতীয় পৰ্য্যায়ৰ কাষ চাপিবলৈ সক্ষম হয় সেই উদ্দেশ্য আগত ৰাখি পৰিকল্পনা প্ৰস্তুত কৰোতে এটা নিম্নতম লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছিল। তাৰ বাবে ৰাজ্য চৰকাৰে যি ৭১৩ কোটি টকা বিচাৰিছিল অতি দুখৰ কথা তাক কাৰ্য্যত আধা কৰি পঞ্চম পৰিকল্পনাত মুঠ ৪৬৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। অসমত শতকৰা ৭৫ ভাগৰো অধিক লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। অসমত সমগ্ৰ দেশখনৰ শতকৰা ১৭ ভাগ অনুসূচীত জাতি আৰু জনজাতি লোক বাস কৰে। সমগ্ৰ দেশৰ মুঠ জনসংখ্যাৰ শতকৰা ২.৭ জন লোক অসমত বাস কৰে। তথাপিও পৰিকল্পনা আয়োগে অসমৰ কথা বিশেষ ভাৱে বিচাৰ নকৰাটো অতি দুৰ্ভাগ্যজনক কথাই নহয় অন্যায় আৰু বৈষম্যমূলক কথা।

কেন্দ্ৰই অসমৰ পৰা বছৰি আয়কৰ আৰু আবকাৰী শুল্ক সংগ্ৰহ কৰে ৫৭ কোটিৰো অধিক টকা। অসমে উৎপাদন কৰা খাৰুৱা তেলৰ পৰা কেন্দ্ৰই বছৰি ৪০ কোটিৰো অধিক টকাৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰিছে অসমৰ চাহৰ পৰা কেন্দ্ৰই বছৰি বৈদেশিক মুদ্ৰা অৰ্জণ কৰে ৮১ কোটিৰো অধিক টকা। অসমৰ মৰাপাট আৰু মৰাপাটজাত সামগ্ৰীৰ পৰা কেন্দ্ৰই বছৰি ৫৩ কোটিৰো অধিক টকা পায়। আন কথাত কেন্দ্ৰই বছৰি বিভিন্ন শিতানত অসমৰ পৰা পোৱা ধনৰ পৰিমান প্ৰায় ২৩১ কোটি টকা হব। অৰ্থাৎ পাচ বছৰত কেন্দ্ৰই অসমৰ পৰা আহৰণ কৰিব অনুমানিক ভাৱে ১১৫৫ কোটি টকা। অসমৰ পৰা ইমানখিনি ধন পাইয়ো অসমৰ বাবে ধনৰ মঞ্জুৰী দিয়াত কাপৰ্ন্য কৰাটো অকল

দুভাগ্যজনক কথাই নহয় ই এক অন্যায় আৰু বৈষম্য মূলক কামো হৈছে।

বানপানী ব্ৰহ্মপুত্ৰ আয়োগ :—

অসমৰ বানপানীৰ সমস্যা এক ৰাষ্ট্ৰীয় সমস্যা ১৯৭০ চনৰ পৰা ১৯৭২ চনলৈকে ব্ৰহ্মপুত্ৰ ( ৭ বানে প্ৰায় ৪০ কোটি টকাৰ সা-সম্পতি নষ্ট কৰিলে আলি পদুলি ভঙা আৰু লগতে চৰকাৰী বেচৰকাৰী ভাৱে বান বিধস্ত ৰাইজক দিয়া সাহায্যৰ পৰিমান ধৰিলে এই ব্যয় ৫০ কোটিৰো অধিক টকা হব এই হাৰত স্বাধীনতাৰ পাচৰে পৰা ব্ৰহ্মপুত্ৰই কৰা ক্ষতিৰ পৰিমান ২০০ কোটিৰ কম নহব। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ সম্পূৰ্ণ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে লব বুলি প্ৰতিশ্ৰুতি দি তাক এতিয়া বাস্তৱত ৰূপ নিদিয়াত আমি আচৰিত হৈছো। যেতিয়ালৈকে এই দায়িত্ব কেন্দ্ৰই নলয় তেতিয়ালৈকে কেন্দ্ৰৰ আশ্বাস আমাৰ কাৰণে মূল্যহীন।

খাৰুৱা তেলৰ ৰয়েলিটি

যোৱা বছৰ প্ৰধান মন্ত্ৰীয়ে দিয়া ৰায় অনুসৰি প্ৰতি টন খাৰুৱা তেলত অসমে ১৫ টকাকৈ ৰয়েলিটি পাব। স্বাধীনতাৰ আগতেও প্ৰতি টনত অসমে ১৫ টকাকৈ ৰয়েলটি পাইছিল। অথচ আমি স্বাধীনতাৰ আগৰ অৱস্থাতে আছো। বৰ্ত্তমান আন্তাৰ্জাতিক বজাৰত খাৰুৱা তেলৰ যি দৰে মূল্য বৃদ্ধি হৈছে তালৈ চাই অসমে প্ৰতি টন খাৰুৱা তেলত অন্তত: ৩০ টকা ৰয়েলটি পোৱা উচিত। খাৰুৱা তেল এটা ক্ষয়িষ্ণু সম্পদ। তেল সম্পদৰ ক্ষয়িষ্ণুতালৈ লক্ষ ৰাখিয়েই কোৱেইট আদি তেল সমৃদ্ধ সমূহে তেলৰ পৰা অৰ্জন কৰা আয়ৰ এটা বৃহত্তন অংশ মূলধনলৈ ৰূপান্তৰিত কৰি বিকল্প সম্পদ সৃষ্টি কৰিছে। আমাৰ তেল সম্পদৰ ক্ষেত্ৰতো তেনে আচনি গ্ৰহণ কৰা উচিত হব। কাৰণ ৫০ বছৰৰ পিচত অসমৰ উদ্ধাৰ যোগ্য সম্পদ প্ৰায় শেষ হৈ যাব পাৰে।

জনমুৰি কৰ :—

যোৱা ১৬ বছৰৰ ভিতৰত জনমূৰী কৰৰ বোজা প্ৰায় ১১ টকাকৈ বৃদ্ধি হৈছে। ১৯৫৬-৫৭ চনত আছিল ১৩.৫৯ টকা আৰু ১৯৭১-৭৬ চনত হয়হি ২৪.৩২ টকা। অনুন্নত অৱস্থা আৰু সাধাৰণ মুল্যমান অতি উচ্চ হোৱা কাৰণে অসমত নতুন কৰকাটল লগোৱাৰ স্থল অতি সীমাবদ্ধ। কিন্তু সমাজবাদী আদৰ্শ লগত সংগতি ৰক্ষা কৰি বাছনিমূলক ভাৱে দুই এটা কৰৰ সংশোধন কৰি আমি কৰ ৰাজহ বৃদ্ধি কৰিব পাৰো। উদাহৰণ স্বৰূপ যিবিলাক বিলাসৰ সামগ্ৰী আৰু

যি বিলাক প্ৰাশ্য্য ভোগ সামগ্ৰী সেইবিলাকৰ ওপৰত অধিক হাৰত বিক্ৰীকৰ লগাব লাগে। বিলাসী সামগ্ৰীৰ চাহিদা সংকুচিত কৰিবলৈ হলে এনে সামগ্ৰীৰ ওপৰত অধিক বিক্ৰী কৰ লগোৱা বাঞ্ছনীয়।

বৰ্ত্তমান ৰাজ্যখনত তিনিখন আইনৰ যোগেদি বিক্ৰীকৰ আহৰণ কৰা হয়। কিন্তু এই ৩ খন আইনতে কৰ ফাকি দিয়াৰ সুৰুঙা আছে। কৰ আইনত থকা আসোঁৱাহ বিলাক দূৰ কৰিবৰ কাৰণে ৰাজ্যিক চৰকাৰে এটা কৰ আয়োগ গঠণ কৰা উচিত।

অনাদায়ী কৰ আৰু বিভাগৰ দূনীতি :—

১৯৭৩ চনৰ ৩১ মাৰ্চলৈকে ৰাজ্যৰ বিভিন্ন কৰৰ বাবদ অনাদায়ী হৈ থকা ধনৰ পৰিমাণ আছিল ৭ কোটি ৯৮ লাখ ৫৫ হাজাৰ ৪৮৭ টকা। গুৱাহাটীতে ৰিদ্যুত বৰ্ডৰ পৰা ৩ লাখ আৰু ভাৰতীয় খাদ্য নিগমৰ পৰা ৩ লাখ পাবলৈ আছে। ইণ্ডিয়ান চেল্চ কৰপৰেচন, মোহনচান্দ মতিলাল নিৰঞ্জনলাল ৰতনকুমাৰ হিমটসিংকা মটৰ ওৱাৰ্কচ আৰু গোৱেংকা অটমোবাইল এই কেইটা প্ৰতিষ্ঠানৰ পৰা ১৮ লক্ষ টকা পাবলৈ বাকী।

জমৰমল ইগচাদ নামৰ ব্যৱসায়ীয়ে ১ লাখ ৫৫ হাজাৰ টকা দিবলৈ বাকী আছে। এই ফাইলটো বোলে বৰ্ত্তমান মুখ্যমন্ত্ৰীৰ হাতত আছে।

তামাদি হোৱাৰ পিচতো অসম ফাইনান্স টেক্সৰ বাবদ গোবেংকা ইঞ্জিনিয়াৰিং ওৱৰ্কচৰ আংশীদাৰ ৰামেশ্বৰ গোৱেকাক যি ১ লাখ টকাৰ কৰ মাফ দিয়া হৈছিল তাৰ কাৰণে দূৰ্নীতি নিবাৰণ বিভাগৰ পৰা তদন্ত চলোৱা হৈছিল। কেচ নং Confidential Memo No. ACB/52-18/111/171 (870)-এই সংক্ৰান্তত আৰু এটা নং দিও MC-15/71/19/117611 এই তদন্তৰ ফলাফল কি হল আমি নাজানো। নগাওঁ নৰ্থইষ্ট বাছ এচচিয়েচনে ৫০৬ খন ভুৱা চালান দাখিল কৰি ১ লাখ টকা আত্মসাৎ কৰি চৰকাৰক প্ৰবঞ্চনা কৰাৰ বাবে নগাওঁৰ পুলিচত এটা গোচৰ দিয়া হৈছিল। পুলিচে এই সম্পৰ্কে কি কৰিলে এতিয়াও জনা নাযায়। এই ঘটনাৰ সম্পৰ্কত এটা উচ্চ পৰ্য্যায়ৰ বিভাগীয় তদন্ত হৈছিল। সেই তদন্তৰ প্ৰতিবেদনত যি ৭ জন কৰ চুপাৰিনটেনডেণ্টক দোষী সাব্যস্ত কৰা হল তেওঁলোকৰ এজনৰ বিৰুদ্ধেও আজিলৈকে শাস্তিমূলক ব্যৱস্থা কৰা হোৱা নাই। এই যিটো বিভাগীয় তদন্ত চলোৱা হৈছিল আৰু তদন্তৰ যি গোপন প্ৰতিবেদন তাৰ এটা

কপি মোৰ হাতত আছে। বক্তৃতাৰ শেষত সেই কপিটো অধ্যক্ষ ডাঙৰীয়া আপোনাৰ যোগেদি মুখ্যমন্ত্ৰীৰ হাতত দাখিল কৰিব খুজিছো। এটা ব্যৱসায়ী প্ৰতিষ্ঠানে পশুপালন বিভাগক খলিহৈ যোগান ধৰি ৰাজ্য চৰকাৰক ১১ লাখ টকা কৰ নিদিয়াকৈ কেনেকৈ সাৰি গল সেই সম্পৰ্কেও এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰিবলৈ মই চৰকাৰৰ ওচৰত দাবী জনাওঁ। এই সম্পৰ্কত প্ৰয়োজনীয় কাগজ-পত্ৰ দাখিল কৰিবলৈ মই প্ৰস্তুত আছো। বাকী পৰি থকা কৰ কাটল আদায় কৰাৰ যিটো কাৰ্য্য ব্যৱস্থা লব লাগে সেইটো লোৱা হোৱা নাই। আজি বিভিন্ন শিতানত নানা ধৰণে অপব্যয়, অপচয় আৰু অপব্যৱহাৰ হৈছে তাত কোনো সন্দেহ নাই। উদাহৰণ স্বৰূপে ভাৰতৰ কণ্টলাৰ আৰু অডিটৰ জেনেৰেলৰ ১৯৭০-৭১ চনৰ প্ৰতিবেদনৰ ৯৫ পৃষ্ঠাত উল্লেখ কৰা হৈছে। ১৯৭১ চনৰ ৩০ চেপ্তেম্বৰলৈকে অডিত অভিযোগ থকা ৫৩ কোটি ৮ লাখ ৩৬ হেজাৰ টকাৰ ৭৯,৮১৪ টা ঘটনা সম্পৰ্কে বৰ্ত্তমানলৈকে কোনো ব্যৱস্থা লোৱা হোৱা নাই।

শেষত দুৰ্নীতি সম্পৰ্কে এটা কথা কব বিচাৰিছো। দুৰ্নীতি কেৱল আমাৰ কাৰণে ভয়ানক কথাই নহয় আমাৰ দৰে দুখীয়া ৰাজ্যত ই এটা অৰ্থনৈতিক সমস্যা। এই ক্ষেত্ৰত মই তেজপুৰৰ এটা কেচৰ বিষয়ে আপোনাৰ যোগেদি মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। কেচ নং হল case under DI. R. No. Gr.1033/73 (Tezpur). ১৯৭২ চনৰ জুলাই মাহত ৪০ কুইণ্টল চাউলেৰে এ, এচ, ডি, ৬০০১ নম্বৰ গাড়ীখনক তেজপুৰৰ বালিপাৰাত আটক কৰি যোগান বিভাগৰ উপ পৰিদৰ্শকে প্ৰতিবেদন দিয়ে। তাত চাৰিজন এ, পি, অ' উপস্থিত আছিল। অফেনচ ৰিপৰ্টত দুজন মানুহক দোষী সাব্যস্ত কৰা হৈছে। এই অফেনচ ৰিপৰ্ট সদনত বক্তৃতাৰ পাছত দাখিল কৰিম। দোষী সাব্যস্ত কৰা দুজন হল গাড়ীৰ ড্ৰাইভাৰ আৰু গাড়ীৰ মালিক তেজপুৰৰ এজন প্ৰখ্যাত ব্যৱ-সায়ী। এই অফেনচ ৰিপৰ্ট যেতিয়া ডি, চি'ৰ ওচৰলৈ গল তেতিয়া তেখেতে নিজ হাতেৰে ফাইলত ৰঙা চিয়াঁহীৰে লিখিলে—Offence Report...... Seen Offence Report, Seizure list and zimma namas submitted by S.I., Supply, Balipara. Issue warrant of arrest under Sub-rule 1!(A) of Rule 114 of D.I. Rules 1971 against the accused driver of the involved vehicle A.S.D. 6001

**Shri Surjit Singh** অতি আচৰিত কথা অফেন্চ ৰিপট´ত দুজনৰ নাম থকা স্বত্বেও উপায়ুক্তই ৰহস্যজনকভাবে নিজে ফাইলত লিখিও ৱাৰেণ্টত অকল ড্ৰাইভাৰৰ নামহে লিখিলে, কিন্তু ব্যৱসায়ী জনৰ নাম নিলিখিলে। এই ক্ষেত্ৰত যে ভুল কৰিছে এই কথা প্ৰমাণিত হল। কাৰণ পিচত এই ফাইল ২৫-৭-৭২ তাৰিখে জুডিচিয়েল এ, ডি, এম'ৰ ওচৰলৈ গল। এই বিষয়ে তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো আৰু এই বিষয়াজনৰ ওপৰত অতি সোনকালে ব্যৱস্থা কৰিবলৈ মই দাবী কৰো।

প্ৰশাসনযন্ত্ৰ সবল, সেৱাপৰায়ণ আৰু যদি দূৰ্নীতিমুক্ত নহয় তেতিয়াহলে আমি যিমানেই যি আচনি নলও সেইবিলাক কাৰ্য্যকৰী কৰিব নোৱাৰিম আৰু আমাৰ সকলো সৎ উদ্দেশ্য ব্যৰ্থ হব।

**শ্ৰীপ্ৰেমধৰ বৰা :** অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই যি বাজেট বক্তৃতা দিলে তাক মই পঢ়ি চালো আৰু এনেকুৱা এটা ধাৰণা হল যে কলেজত বা স্কুলত ছাত্ৰ সকলে লিখা এখন ৰচনা। আমাৰ পৰিকল্পনা বিলাক হল ধাৰ ৰচোৱা পৰিকল্পনা। আমাৰ ৰাজ্যখনৰ অৰ্থনীতিৰ কথা আলোচনা কৰিবলৈ যাওতে এই কথা পাহৰি যোৱা উচিত নহব যে আমাৰ ৰাজ্যখনত লাখ লাখ ভগনীয়া আহি অৰ্থনীতিৰ ওপৰত প্ৰভাব পেলাইছে। আমাৰ অৰ্থনীতি যদি পৰ্য্যালোচনা কৰি চাওঁ তেন্তে দেখা পাও যে আমাৰ ৰাজ্যৰ পৰা দুশ কোটি টকাৰ মূল্যৰ কেচ বাহিৰলৈ গৈ আছে। আমি মাত্ৰ এশ কোটি টকা পাওঁ। তাৰ বাহিৰেও ভাৰতৰ ৰিজাৰ্ভ বেংকে মাত্ৰ ৯৬১ কোটি টকাহে আমাৰ ৰাজ্যৰ বাবে যোগান ধৰিছিল, কিন্তু আমাৰ ৰাজ্যৰ টকাৰ অপব্যৱহাৰৰ ফলত ই গৈ ১৫০৭ কোটি টকা হলগৈ। ইয়াৰ ফলত যিখিনি আমাৰ ৰাজ্যৰ জনসাধাৰণৰ ওপৰত প্ৰভাব পেলালে, সেই উপৰিও প্ৰভাব পেলোৱা কথাবিলাক আমি পাহৰি যাওঁ। তাৰোপৰি আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলা দেশ অলপতে পূৰ্ণাঙ্গ ৰাষ্ট্ৰত পৰিণত হৈছে সেই জুৰুলা ৰাষ্ট্ৰখনক সহায় কৰিবলৈ গৈ আমি আমাৰ অৰ্থনীতিৰ বোজা বঢ়াই ললো। ই এটা আমাৰ ৰাষ্ট্ৰৰ অৰ্থনীতিৰ প্ৰধান অন্তৰায়। গতিকে এই গোটেইবিলাক দিশৰ কথা পাহৰি নগৈ আমি নিজে আমাৰ অৰ্থনীতিৰ কথা চিন্তা কৰিব লাগিব। কিন্তু দুৰ্ভাগ্য বিষয় আমাৰ দেশৰ অৰ্থনীতিৰ ক্ষেত্ৰত আমি এই দিশ বিলাক আলোচনা কৰা নহয়।

অধ্যক্ষ মহোদয়, আপুনি জানে আজি অসমত ভগনীয়াৰ সোঁত ক্ৰমান্বয়ে বৃদ্ধি পাই আছে। আমাৰ খিলঞ্জীয়া লোকে খেতি কৰা মাটিৰ ওপৰত ঘৰ বান্ধি বসবাস কৰি আছে। সেইবিলাক আজি চৰকাৰৰ ফালৰ পৰা তদন্ত কৰি ব্যৱস্থা কৰা হোৱা নাই, ভগনীয়াৰ সোঁত বন্ধ কৰাৰ ব্যৱস্থা কৰা নাই। আজি বে-চৰকাৰী হিচাবমতে অসমত ২৫ পৰা ৩০ লাখ বাহিৰা মানুহ সোমাই পৰিছে। কিন্তু চৰকাৰৰ ফালৰ পৰা তদন্তও নাই হিচাবো নাই। তাৰ ফলত অসমৰ জনসাধাৰণৰ ওপৰত আঘাট হানিছে।

আজি আমি চাৰটা পৰিকল্পনা কৰিলো— আমাৰ চাৰিটা পৰিকল্পনা পাৰ হৈ গল। অধ্যক্ষ মহোদয়, আপুনি জানে যে অসমৰ নিচিনা দুখীয়া ৰাজ্যত চাৰিটা পৰিকল্পনাৰ শেষত ৪২১ কোটি টকা ধাৰ লাগিছে। তেখেতে বাজেটত উল্লেখ কৰিছে যে পঞ্চম পৰিকল্পনাৰ কাৰণে ৪৬৩ কোটি টকা বিচাৰিছে। গতিকে আপুনি চিন্তা কৰি চাওক আমি আগৰ ধাৰখিনিকে পৰিশোধ কৰিব পৰা নাই—তেনে অৱস্থাত নতুন ধাৰৰ কথা চিন্তা কৰিম কেনেকৈ? শ্ৰীশৰ্ম্মা ডাঙৰীয়াই কোৱাৰ দৰে ‘ঋণং কৃতা ঘৃতং পিবেত”। আমাৰ মানুহে ঋণৰ বোজা বহণ কৰিছে আৰু মুষ্টিমেয় কেইজনমান লোকে সুবিধা ভোগ কৰি আছে। আমাৰ ৰাজ্যৰ মানুহৰ অৱস্থা দিনে দিনে বেয়াৰ ফালে ঢাল খাব ধৰিছে। আমাৰ ৰাজ্যখনৰ সম্পদ আৰু উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে চেষ্টা কৰিছেনে? আজি যদি কৃষিমন্ত্ৰীক সোধো কিমান একৰ মাটি আছে তাৰ উত্তৰ দিব পাৰিবনে?

শ্ৰীপৰমানন্দ গগৈ: ৰেভিনিউ ৰেকৰ্ডত আছে।

শ্ৰীপ্ৰেমধৰ বৰা: আজি যদি বান নিয়ন্ত্ৰণ মন্ত্ৰীক সোধো কিমান মাটি আছে এইটো হিচাব নাই। গতিকে গোটেই ৰাজ্যখনৰ সামগ্ৰিক উন্নতি কৰিবলৈ হলে এটা সমন্বয় থাকিব লাগিব। কিন্তু দুখৰ বিষয় আমাৰ বিভাগ বিলাকৰ মাজত কোনো ৰকমৰ সমন্বয় নাই। কৃষি বিভাগৰো ইঞ্জিনীয়াৰীং বিভাগ আছে, এগ্ৰিকালচাৰ বিভাগৰো আছে, বান নিয়ন্ত্ৰণ বিভাগতো আছে, জলসিঞ্চন বিভাগ আছে আৰু পি-ডব্লি-ডি বিভাগটো ইঞ্জিনীয়াৰীং বিভাগ আছে কিন্তু এই আটাই-বিলাক বিভাগৰ মাজত কোনো সমন্বয় নাই। যদি কৃষিবিভাৰ ইঞ্জিনিয়াৰীং বিভাগক সোধা হয় খেতি নষ্ট হোৱাৰ কাৰণে তেওঁলোকে কব ই-এণ্ড-ডি

বিভাগে জানে বুলি আৰু যদি ই-এণ্ড-ডি বিভাগক সোধা হয় কব যে সেইটো তেওঁলোকে নকৰে, আকৌ ৰাইজে কৃষিৰ খুজিলেও কব ই-এণ্ড-ডি বিভাগৰ আমাৰ নহয়। এই এটা বিৰাট বিসঙ্গতি। কিন্তু দেশ এখনৰ উন্নতি কৰিবলৈ হলে বিভিন্ন বিভাগৰ মাজত সমন্বয় সাধন হোৱাটো একান্ত আৱশ্যকীয় কথা। পিচে দুৰ্ভাগ্যৰ বিষয় যে আমাৰ খেতি নিৰ্ভৰ কৰে বতৰৰ ওপৰতহে। বতৰ ভাল হলে খেতি হব আৰু বতৰৰ পানী নাপালে খেতি বেয়া হব। কেৱল বতৰৰ ওপৰতহে নিৰ্ভৰ কৰে। গতিকে কৃষিৰ উন্নতিৰ কথা ভাবিলে চীড কৰপোৰেচন আৰু ফাৰ্টিলাইজাৰ কৰপোৰেচন আছে এইবিলাকৰ সমন্বয় থকা দৰকাৰ খেতিৰ উপযুক্ত সময়ত সচ, বীজ, সাৰ আদি যোগান ধৰিব পাৰিব লাগিব। বেমাৰ হলে ঠিক সময়তেই পেষ্টিচাইজ যোগান ধৰিব লাগিব। তেহে খেতিৰ উন্নতি আশা কৰিব পাৰি। কিন্তু সেই সমন্বয় আছে নেকি? যেতিয়া শুকান বটৰত পানী দিব লাগে তেতিয়া পানী নাই। এয়েই হৈছে অৱস্থা। আজি শিক্ষা বিভাগতো সমন্বয় নোহোৱা হৈছে। ডি-পি-আই অফিচৰ লগত পাবলিকেচন বোৰ্ডৰ কোনো সমন্বয় নাই। পাবলিকেচন বোৰ্ডৰ লগত চেক্ৰেটাৰী ইডুকেচনৰ কোনো সমন্বয় নাই।

(ভইচ: আছে।)

নাই। ৰিকগনিচনৰ কাৰণে ডি-পি-আইৰ পৰা পঠিয়াই ইন্সপেক্টৰলৈ কিন্তু দেখা যায় ১৯৬২ বা ১৯৬১ চনৰেই স্কুলে ৰিকগনিচন পোৱা নাই অথচ ১৯৭১-বা ১৯৭২ চনৰ স্কুলে ৰিকগনিচন পাইছে। ইয়াৰ কাৰণ হৈছে বোৰ্ড অব চেকেণ্ডাৰি ইডুকেচনত খবৰ কৰিলে কব ডি-পি-আই অফিচৰ পৰা অহা নাই। আৰু ডি-পি- আই অফিচত খবৰ কৰিলে কব পঠিয়াইছো। ইয়াৰ কেৰোণ ক'ত। আমাৰ মিনিষ্টাৰ কিয় আছে। এই ক্ষেত্ৰত যিয়ে খবৰখাতি কৰি ডি-পি-আই অফিচৰ পৰা নোটটো চেকেণ্ডাৰি ইডুকেচন বোৰ্ডলৈ পঠিয়াই দিব পাৰিছে তেওঁবিলাকৰ কাম হৈ আছে আৰু যিয়ে খবৰ আদি লব পৰা নাই তেনেবিলাক স্কুলৰ কাম ৰিকগনিচন পৰি আছে।

(ভইচ: কণ্ডিচন ফুলফিল নকৰিলে নহবও পাৰে।)

নোহোৱা কথা নহয়। কণ্ডিচন ফুলফিল কৰিছে। তথাপি ১৯৭১ চনৰ স্কুল

ৰিকগনিচন হৈছে অথচ ১৯৬২ বা ১৯৬৩ চনৰ স্কুলৰ হোৱা নাই।

(ভইচ : নোটিচত আনিলে চাব পাৰিম।)

অকৌ দুখন ইউনিভাচিটি হল অথচ বি-টি-ৰ কোনো সমন্বয় নাই। গুৱাহাটী আৰু ডিব্ৰুগড় দুয়োখন বিশ্ববিদ্যালয়ৰ বি-টিৰ ট্ৰাৰ্ম বেলেগ বেলেগ চলি আছে। এইবিলাকৰ সমন্বয় কৰাৰ চেষ্টা কৰিব লাগে।

অধ্যক্ষ মহোদয়, বাজেটত মুখ্যমন্ত্ৰীয়ে যেতিয়া বিত্ত মন্ত্ৰীৰ দায়িত্বত এই বাজেট উত্থাপন কৰিছে বৈষম্যতা নাপাম বুলি ভাবিছিলো যদিও পাইছো। পিচপৰা জিলাবিলাকৰ কাৰণে আগবঢ়াই অনাৰ কাৰণে উন্নয়ন মূলক কামৰ কাৰণে কোনো আঁচনি নাই। আগবঢ়া জিলাবিলাক আগবাঢ়ি গৈছে আৰু পিচপৰা বিলাক আৰু পিচপৰি গৈছে। বিশেষকৈ লক্ষীমপুৰ, গোৱালপাৰা, মাজুলী আদিৰ কাৰণে বিশেষ আঁচনি কোনো নাই।

(ভইচ : মাজুলীৰ আছে।)

গতিকে আমি আশা কৰিছিলো যে বৈষম্য বিলাক নাথাকিব কিন্তু আগৰ দৰেই থাকিল। আজি কৃষিৰ ক্ষেত্ৰত কি দেখিছোঁ? কৃষি বিশ্ববিদ্যালয় আছে অথচ কৃষি স্কুল এখন নাই বা কৃষি কলেজো এখন নাই। স্কুল বা কলেজ নোহোৱাকৈ কেনেকৈ বিশ্ববিদ্যালয় হব পাৰে? ইটো এটা হাস্যাস্পদ কথা নহয় নে। গতিকে কম পক্ষেও প্ৰতি মহকুমাৰ সদৰত একোখনকৈ স্কুল আৰু প্ৰতি জিলাৰ সদৰত একোখনকৈ কলেজ পাতিব লাগে। তেতিয়াহে বিশ্ববিদ্যালয় পতাৰ উদ্দেশ্য সফল হব। আকৌ কাৰিকী শিক্ষাৰ ওপৰত ভকেচনেল শিক্ষা দিব লাগে। যাতে কামৰ পৰা ওলাই নিজে নিজেই ব্যৱস্থা কৰিব পাৰে।

শিক্ষাৰ বিষয়ে চালে দেখা যায় যে শিক্ষামন্ত্ৰীয়ে শিক্ষাৰ শিতানত অলপ বেছি টকা ধৰিছে প্ৰাথমিক পৰ্য্যায়ত। তাৰ কাৰণে ধনাবাদ জনাইছে। আৰু মাধ্যমিক শিক্ষা ইউনিভাচিটি পৰ্য্যায়তকৈ প্ৰাথমিক স্তৰত বেছি টকা ধৰা কাৰণে শিক্ষামন্ত্ৰীক অভিনন্দন জনাইছো আৰু আশা কৰিছো যেন ভবিষ্যতেও ইউনিভাৰচিটি পৰ্য্যায়তকৈ প্ৰাথমিক পৰ্য্যায়তহে বেছি জোৰ দিয়া হয়। আমাৰ ইয়াত কৰিবলগীয়া বহুত কথাই আছে শিক্ষাৰ শিতানত। বিজ্ঞান শিক্ষা যেনে ধৰণে আগবাঢ়িব লাগিছিল সেই ধৰণে আগবঢ়া নাই। গতিকে এই কথাও

চৰকাৰক জনাব খুজিছে যে প্ৰতি মহকুমাতে একোখনকৈ বিজ্ঞান স্কুল কম্পালচৰি আৰু বিজ্ঞান কলেজ পাতিবলৈ প্ৰস্তাৱ লব লাগে।

( ভইচ : বহিবৰ কাৰণে চোকা লৰাও লাগিব )

নোহোৱাৰ কথা নাই। আমাৰ চোকা লৰা কিয় নাথাকিব। স্কুল আৰু কলেজ থাকিলে অভিৰুচি অনুযায়ী সকলোৱে শিক্ষা লব পাৰিব কিয়নো—These are the days of Science and technology.

অধ্যক্ষ মহোদয়, আজি আমি এটা বিশেষ কথা অনুভৱ কৰিছোঁ সেইটো হ'ল আমাৰ ৰাজ্যত টেকনিকেল ইদুকেশ্যনৰ ক্ষেত্ৰত বা ভ'কেশ্যনেল ইদুকেশ্যনৰ ক্ষেত্ৰত বিশেষ জোৰ দিয়া দেখা নাই। সেইকাৰণেই আজি আমি আমাৰ লৰা-ছোৱালী বিলাকক 'জব অৰিয়েণ্টেশ্যান' টাইপৰ শিক্ষা দান কৰিব পৰা নাই। গতিকেই শিক্ষা সাং কৰাৰ পাচত আমাৰ লৰাবিলাকে চাকৰীৰ কাৰণে হাহাকাৰ কৰি ফুৰিবলগীয়া হয়। সেইকাৰণে মই কওঁ আমাৰ প্ৰতিখন জিলা বা মহকুমাত বা সদৰত একোখন ভকেশ্যনেল স্কুল, টেকনিকেল স্কুল আৰু এগ্ৰিকালচাৰেল টাইপ অব স্কুল খোলাৰ কাৰণে ব্যৱস্থা কৰিব লাগে যাতে আমাৰ ডেকাসকলে শিক্ষা সাং কৰিয়েই নিজৰ ভৰিত নিজে থিয় হব পৰা সুবিধাকন আয়ত্ব কৰিব পাৰে। তাৰোপৰি আমি দেখিছোঁ আমাৰ ডেকা সকলে ৰেচিভাগেই ৰাজ্যৰ বাহিৰলৈ বা বিদেশলৈ ফাইন আৰ্টিচৰ ট্ৰেইনিং লবলৈ যায় তেনে ক্ষেত্ৰত মই কওঁ এনে ধৰণৰ ফাইন আৰ্টিচৰ কলেজ আমাৰ অসমতেই প্ৰতিস্থা কৰাৰ ব্যৱস্থা কৰিব লাগে। যাতে আমাৰ আগ্ৰহান্বিত যিসকল দেকা আছে তেওঁলোকে কম খৰচতে বাহিৰলৈ নগৈ নিজৰ দেশতেই বা নিজৰ ৰাজ্যতেই এই বিষয়ৰ শিক্ষা গ্ৰহণ কৰিব পাৰে।

আমি এটা কথাত সুখী হৈছোঁ, সেইটো হ'ল আজি চৰকাৰে পুলিচ কমিশ্যনৰ ৰিকোমেণ্ডেশ্যনৰ ওপৰত নিৰ্ভৰ কৰি ৰাজ্যৰ পুলিচ বিভাগটো অধিক সক্ৰীয় আৰু শক্তিশালী কৰিবলৈ মনস্থ কৰিছে আৰু সেই হিচাবে টকা-পইচা খৰচ কৰিবলৈ আগবাঢ়িছে। সেইকাৰণে মই চৰকাৰক ধন্যবাদ দিছোঁ আৰু লগে লগে মই কওঁ প্ৰতিখন থানাতে একোখন জীপ ৰখাৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ লগতে 'ফাইৰ ব্ৰিগেদ বাহিনী, আৰু দিটেকটিভ কামৰ কাৰণে জিলাৰ হেড-কোৱাটাৰত 'দগ স্কোৱাদ' ৰখাৰ দিহা কৰিব লাগে। তেতিয়াহলেহে যি পুলিচ

কমিশ্যনৰ মডেল মতে ৰাজ্যৰ পুলিচ বাহিনী গঠন কৰিবলৈ ওলাইছে সেই দিশতো কিছু পৰিমানে সাফল্যমণ্ডিত হব।

তাৰ পিচত মই নিবনুৱা সমস্যাৰ কথা কবলৈ আগবাঢ়িছোঁ সেইটো হ'ল আজি আমাৰ যিবিলাক এম্প্লোয়মেণ্ট এক্সেঞ্জ আছে সেইবিলাকত যিমান বিলাক দেকা নিবনুৱাহে আছে সেই হিচাবটোহে চৰকাৰে দেখুৱাইছে কিন্তু প্ৰকৃততে সিমান নহয় তাতোকৈ বহুগুনে বেচি হব, কিয়নো আমাৰ গাৱৰ কিছুমান অশিক্ষিত হোজা লৰা চিৰদিনেই নাম এক্সেঞ্জত ভৰ্ত্তি নকৰাকৈ বহি আছে গতিকে সেই সকলোৰে নাম হিচাব কৰিলে নিবনুৱাৰ সংখ্যা চৰকাৰে দিয়াতকৈ বহুগুন বেচি হব। গতিকে এই গোটেই বিলাক নিবনুৱাৰে নাম লৈহে নিবনুৱাৰ সংখ্যা ধাৰ্য্য কৰিব লাগে আৰু সেইমতে নিবনুৱা সমস্যা সমাধানৰ কামত আগবাঢ়ি যাব লাগে। মই ভাবো চৰকাৰ মোৰ লগত একমত হব সেইটো আজি আমি ডাঙৰ ডাঙৰ বা বৃহৎ উদ্যোগ গঢ়ি এই নিবনুৱা সকলক সহজে সংস্থান দিব নোৱাৰিম গতিকেই আমি সৰু সৰু উদ্যোগ গাৱত পাতি গাৱলীয়া উদ্যোগ সম্প্ৰসাৰণ কৰি আমাৰ গাৱত থকা শিক্ষিত, অৰ্দ্ধশিক্ষিত আৰু অশিক্ষিত সকলোৰে যাতে সেই উদ্যোগবোৰত সংস্থান দিব পাৰো তালৈ চকু দিব লাগে। যেনে যিসকলে বাহ-বেতৰ কাম কৰিব পাৰে, আকৌ মৌ পোহা, কাপোৰ বোৱা, সূতা কটা, মিস্ত্ৰিৰ কাম, ইত্যাদি হৰেক ৰকমৰ কামত তেওঁ-লোকক নিয়োগ কৰিব পৰা যাব। নহলে এই প্ৰস্তাৱিত ডাঙৰ বা বৃহৎ উদ্যোগ গঢ়ি আমাৰ অসমৰ মাটি সম্পদ আনৰ হাতত এৰি বাহিৰলৈ পথোৱাৰ বাহিৰে আন একো নহব। আনহাতেদি আমাৰ হাজাৰ হাজাৰ নিবনুৱা দেকা সকলে তাত কোনো ধৰণৰ সুবিধা লব নোৱাৰিব। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিছোঁ যাতে বৃহৎ শিল্পৰ প্ৰতি বেচি মন নিদি ক্ষুদ্ৰ ক্ষুদ্ৰ শিল্পৰ প্ৰতি বেচি মনোযোগ নিব লাগে যাতে আমাৰ গাৱৰ অসংখ্য নিবনুৱা দেকাই সেইবিলাক উদ্যোগত কৰ্ম সংস্থান লাভ কৰিব পাৰে আৰু তাৰ লগতে আমাৰ ৰাজ্যৰ অৰ্থনৈতিক বিকাশ সাধন হোৱাৰ একোটা থল তাত হৈ যাব।

তাৰ পিছত মই আৰু এটা দৰকাৰী কথা আমাৰ মুখ্যমন্ত্ৰীৰ বাজেটত নেদেখিলো সেইটো হ'ল আমাৰ ৰাজ্যত থকা হাজাৰ কলা ক'না, বোবা লৰা-ছোৱালী সকলৰ কথা। আমাৰ ৰাজ্যত প্ৰায় 40 হাজাৰ মানুহ অন্ধ, ক'না, কলা

বোবা আছে, এইসকলৰ কাৰণে কোনো প্ৰভিজন বাজেটত নাই। যি সময়ত আজি গৰু ছাগলীৰ চিকিৎসা বা কল্যাণৰ কাৰণে হস্পিতাল বা 'ভেটেৰীনাৰী' বিভাগ আছে কিন্তু এইসকল দুৰ্ভগীয়া মানুহৰ কাৰণে কোনো ব্যৱস্থা নাই। অথচ এই লোক সকলেও কিছুমান সৰু সৰু কাম কৰিব পাৰে, গতিকে এইসকল লোকৰ কাৰণে এখন আঁচনি চৰকাৰে কৰিব পাৰে। আজি দেখামতে চৰকাৰে অসমত এখন অন্ধ স্কুল পাতিছে থিক সেইদৰে বাকী কলা বোবা আৰু আন আন বিকলাঙ্গ সকলৰ কাৰণে কিছুমান আঁচনি হাতত লৈ আগবাঢ়ি যাব লাগে যাতে সেই আঁচনিৰ জৰীয়তে তেওঁলোকে ভবিষ্যতে মানুহৰ নিচিনাকৈ জীয়াই থকাৰ সুযোগ পায়। এই বিষয়টোলৈ মই চৰকাৰৰ দৃষ্টি নিক্ষেপ কৰিলো।

আজি মই যদি ব্ৰহ্মপুত্ৰ ফ্লাদ কণ্টোলৰ কথা নকও বেয়া হব, সেই বিষয়ে মই কবই লাগিব, এই শিতানত ৫ বছৰীয়া পৰিকল্পনাত ৫৪ কোটি টকা কেন্দ্ৰৰ পৰা দিয়া কথা আৰু সেইমতে প্ৰথম বছৰতেই ৭ কোটি ২১ লাখ টকা দিয়াৰ কথা আছিল কিন্তু এতিয়া দিব খুজিছে মাত্ৰ ৪ কোটিহে, গতিকে মাত্ৰ ৪ কোটি টকা ব্ৰহ্মপুত্ৰ কণ্ট্ৰোলৰ কাৰণে দি ইয়াত কিবা শাসন কৰিবলৈ বিচৰা হৈছে নে প্ৰকৃততেই ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন কৰিবলৈ বিচৰা হৈছে ?

পাৰ্লিয়ামেণ্টত যেতিয়া এইটো কথা ঘোষনা কৰা হৈছিল যে ব্ৰহ্মপুত্ৰৰ সমস্যাটো এটা ৰাষ্ট্ৰিয় সমস্যা আৰু ৰাষ্ট্ৰৰ সম্পদৰ দ্বাৰা এই ব্ৰহ্মপুত্ৰৰ সমস্যা সমাধান কৰিব লাগিব বা নিয়ন্ত্ৰন কৰিব লাগিব কিন্তু এতিয়া কি দেখা গৈছে এই কমিশ্যনত বাহিৰৰ পৰা অফিচাৰ আনি সুপাৰিশ পাতি টকা-পইচাও ৰাজ্যক নিদি নিজৰ ইচ্ছাৰে আগবাঢ়িছে। গতিকে তেনে ধৰণৰ আয়োগৰ কোনো আৱশ্যক নাই, স্পষ্টকৈ কৈ দিব লাগে যাতে টকা-পইচা যদি পৰ্য্যাপ্ত পৰিমানৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা নাহে তেতিয়াহলে এনেধৰণৰ নামত থকা আয়োগৰ কোনো আৱশ্যক নাই। কিয়নো বাহিৰৰ পৰা অহা ইঞ্জিনিয়াৰ বা অফিচাৰ সকলৰ উপস্থিতিৰ কাৰণে আমাৰ স্থানীয় ইঞ্জিনিয়াৰ সকলে কাম কৰাত নানা বাধাপ্ৰাপ্ত হবলগা হৈছে আৰু কাম কৰাত উৎসাহ পোৱা নাই। সেইকাৰণে প্ৰকৃততেই যদি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন কৰিব বিচাৰিছে তেতিয়াহলে আয়োগ ৰাখক নহলে এই আয়োগৰ কোনো আৱশ্যক নাই।

আমাৰ ৰাজধানী বিষয়ে কও, যি কি নহওক গৈথে অস্থায়ী হিচাবে

হলেও ৰাজধানীৰ ঘৰদুৱাৰ জানিবা হ'ল কিন্তু এতিয়া ডাঙৰ কথা হ'ল এখন স্থায়ী ৰাজধানীৰ কাৰণে এতিয়া মনোনিবেশ কৰিব লাগে। এই ৰাজধানীৰ সংক্ৰান্তত আৰু এটা দৰকাৰী কথা কও সেইটো হ'ল এই আজি ৰাজধানীত থকা ঘৰ বা অফিচ হ'ল কিন্তু ইয়াত কাম কৰা বিভিন্ন কৰ্মচাৰী সকলৰ লৰা-ছোৱালী বিলাকে পঢ়িবৰ কাৰণে এখন স্কুলো পাতিব পৰা হোৱা নাই এখনো এল, পি স্কুল পতা নাই আৰু এখন হাইস্কুলৰ বাবে চিন্তা কৰা নাই, যি খন স্কুল ওচৰত আছে তাত মাত্ৰ এটা চেকশ্যন আছে, তাত এডমিশ্যনৰ কাৰণেও বিশেষ সুবিধা নাই, তাৰ বাহিৰেও চহৰৰ দূৰত থকা স্কুল বিলাকলৈ আমাৰ এই দুখিয়া কৰ্মচাৰী সকলে নিজৰ লৰা-ছোৱালী বিলাকক চিটি-বাচত খৰচ-পাতি দি স্কুললৈ পঠিয়াতো অলপ কষ্টকৰেই নহয় ই বেচিভাগৰ কাৰণেই অসম্ভৱ।

ডি পি আই অফিছটো যত হৈছে সেইটো এটা যেন গুদাম ঘৰহে। ফেন বুলিবলৈ নাই, চিলিঙি বুলিবলৈ নাই। তাত কৰ্মচাৰী সকলে অতি কষ্টৰে কাম কৰিব লগা হৈছে। আমি যদি কৰ্মচাৰী সকলৰ পৰা ভাল কাম আদায় কৰিব খোজো তেন্তে তেওঁলোকক ভাল সুবিধাও আমি দিব লাগিব।

অধ্যক্ষ মহোদয়, বাজেটখনত পে কমিশ্যনৰ ৰিপৰ্টটোও থাকিব লাগিছিল নেকি? বিত্ত মন্ত্ৰীয়ে কৈছিল যে চেণ্ট্ৰেলৰ পে কমিশ্যনৰ ৰিপৰ্ট বাকী আছে সেইকাৰণে যোৱা বাৰ দিব পৰা নহল, এইবাৰ থাকিব লাগিছিল। আমাৰ কৰ্মচাৰী সকলে আশাৰে বাট চাই আছে। কিবা এটা পাম পাম বুলি আশা কৰি থকাটো বেয়া কথা। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপাল আৰু হাইকৰ্ট এই দুটাৰ খৰচ আমি বহন কৰিব লগা হৈছে এই খৰচ কমাব লাগে। আন এটা কথা নকলে বেয়া হব। সেইটো হৈছে আমাৰ উত্তৰ লক্ষীমপুৰ জিলাৰ কথা। ব্ৰহ্মপুত্ৰ পাৰ হৈ আহিব লগা হোৱা কাৰণে তাত এখন জিলা লাগে লাগে বুলি কোৱাত যেনিবা জিলাখন হল। কিন্তু তাত প্ৰয়োজনীয় সা-সুবিধা খিনি দিয়া নহল। সোণটি হাকিমৰ দিনৰে কেৰাণী মহৰী কেইজন এতিয়াও তাতে আছে আৰু সেই কেইজনে কাম চলাই আছে তাত এজন ইন্সপেক্টৰ, এজন মেজিষ্ট্ৰেট নাই। জিলা এখন পাতিলেই নহয়, তাত প্ৰয়োজনীয় সুবিধা খিনিও দিব লাগে।

শিক্ষাৰ ক্ষেত্ৰত আন এটা কথা মই কও। আমাৰ স্কুল বিলাকত ফিজিকেল ইন্সপেক্টৰ এজন আৰু কম্পাউণ্ডৰ এজন দিব লাগে। তেতিয়া শিক্ষা দানত এটা সুপৰিবেশ হব বুলি মই অনুমান কৰো। আনহাতে মেডিকেল পঢ়িবলৈ আমাৰ সকলো লৰাৰ অৱস্থা নাই, তাতে আকৌ আজি কালি মগজুৰ কথাও আহিল সেইকাৰণে আগতে থকাৰ দৰে বেৰী হোৱাইট স্কুলৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া হলে আমাৰ সাধাৰণ মানুহৰ লৰা-ছোৱালী বোৰেও স্কুলৰ লগতে মেডিকেলৰ কিছু কথাও পঢ়িবলৈ পাব। আমাৰ এই ৰাজ্যখনৰ বাজেট খননো আৰু ইয়াতকৈ অন্য বেলেগ কি এটা হব ? আমাৰ তাকবীয়া পইচা খিনি যাতে ভাল কামত ভাল ভাৱে খটুৱা হয় তাৰ ব্যৱস্থা আমি ভালকৈ কৰিব লাগে। ফাইনেন্সৰ ক্ষেত্ৰত আমাৰ কি অসুবিধা হৈছে সেইটো আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ভালকৈ জানে। গতিকে এই বিভাগটো সংশোধন কৰাৰ কথা আজি আমি দকৈ ভাবিব লগা হৈছে।

আজিলৈ মই এই খিনিকে কৈ সামৰণি মাৰিলো।

শ্ৰীমতী ৰেৱতী দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে যোৱা চাৰি মাৰ্চ্চ তাৰিখে যিখন বাজেট উত্থাপন কৰিলে সেইখন মই সমৰ্থন জনাইছো। এই বাজেটখনক মই আশাবাদী বাজেট বুলি কব খুজিছো, এই কাৰণেই কব খুজিছো যে যি দিন ধৰি গৈছে ভালেৰেই গৈছে আৰু যি দিন আহিব সেয়াও ভালেই হব বুলি আমি আশা ৰাখিছো।

